सत्यमेव जयते

unicef

সাফল্যৰ কাহিনী

# বিকশিত গ্ৰামীন অসম

*উন্নয়ন আৰু শ্ৰেষ্ঠ সাফল্যৰ তথ্য-সংকলন*



## পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

অসম চৰকাৰ

© **ইউনিচেফ ২০১৪**
অসম চৰকাৰ

**বেটুপাত ঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ,অসম

**কাৰিকৰী সহযোগী দল**
খগেশ্বৰ পেগু, যুটীয়া সঞ্চালক, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ,অসম
অঞ্জন বৰদলৈ, প্ৰাক্তন ৰাজ্যিক নিৰ্বিঘ্নতাকাৰী, ইউনিচেফ
চিন্ময় দেবনাথ, ৰাজ্যিক নিৰ্বিঘ্নতাকাৰী, ইউনিচেফ
অভিজিৎ মিশ্ৰ, ৰাজ্যিক কাৰ্য্যসূচী প্ৰৱন্ধক, ই-পি আৰ আই

ভাষান্তৰঃ এইচ্ছ চি দলে, গুৱাহাটী

এই সংকলনখনিৰ যিকোনো অংশ উপযুক্ত কৃতজ্ঞতা
জ্ঞাপনেৰে মুক্তভাৱে পূণৰ্প্ৰকাশ কৰিব পাৰে।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ
জুৰিপাৰ, পাঞ্জাবাৰী
গুৱাহাটী - ৭৮১০৩৭
অসম, ভাৰত

ইউনিচেফ ক্ষেত্ৰ কাৰ্যালয়, অসম
গৃহ নং-২৭
বশিষ্ঠপুৰ বাইলেন-৩, বেলতলা ৰোড
গুৱাহাটী-৭৮১০২৮
অসম, ভাৰত

সত্যমেব জয়তে

**তৰুণ গগৈ**

**মুখ্যমন্ত্ৰী, অসম**
গুৱাহাটী, দিশপুৰ
৬/০৯/২০১৪



## শুভেচ্ছা বাণী

মই জানিবলৈ পাই সুখী হৈছো যে ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তলয়ে 'ইনিচেফ'ৰ ক্ষেত্ৰ কাৰ্যালয়ৰ সহযোগত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন আৰু ইন্দিৰা আৱাস যোজনা প্ৰমুখ্যে বিভিন্ন আঁচনিৰ সাফল্যৰ খতিয়ানৰ কাহিনীৰে সন্নিৱিষ্ট এখনি পুস্তিকা প্ৰকাশৰ কাম হাতত লৈছে।

মই আশাকৰো যে এই পুস্তিকাখনিয়ে বিভাগটোৰ ফলপ্ৰসূ কৰ্মৰাজিৰ বাবে লোৱা পদক্ষেপত সজাগতাৰ উদ্দেশ্য সাধন কৰিব। পুস্তিকাখনিয়ে সমাজৰ অগ্ৰগামী কৰ্মী আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠান প্ৰতিনিধিসকলক তেওঁলোকৰ ফলপ্ৰসূ কৰ্মৰাজিৰ বাবে উদগণি যোগোৱাৰ লগতে গ্ৰাম্য জনসাধাৰণৰ বিশেষকৈ মহিলা আৰু শিশু সকল তথা ৰাজ্যখনৰ আশানুৰূপ পৰিৱৰ্তনত অৰিহণা যোগাব।

পুস্তিকাখনিৰ ফলপ্ৰসূ প্ৰকাশৰ পদক্ষেপৰ বাবে মই মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ।

(তৰুণ গগৈ)

**ৰকিবুল হুছেইন**
পঞ্চায়ত আৰু গ্ৰামোন্নয়ন
পৰিৱেশ আৰু বন
অসম, দিছপুৰ, গুৱাহাটী-৭৮১০০৬

দিছপুৰ
৬।০৯।২০১৪

सत्यमेव जयते



## শুভেচ্ছা বাণী

মই জানিবলৈ পাই বহুত সন্তোষ পাইছো যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তালয়ে ‘ইউনিচেফ’ৰ ক্ষেত্ৰ কাৰ্যালয়ৰ সহযোগীতাত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন, বিআৰজিএফ, ইন্দিৰা আৱাস যোজনা আদিৰ দৰে বিভিন্ন আঁচনিৰ সাফল্যৰ খতিয়ানৰ কাহিনী সন্নিবিষ্ট কৰি এখনি পুস্তিকা প্ৰকাশ কৰিবলৈ লৈছে। এই সাফল্যৰ কাহিনীৰ পুস্তিকাখনিয়ে নিৰ্বাচিত প্ৰতিনিধিসকল আৰু তৃণমূল পৰ্য্যায়ৰ কৰ্মীসকলক উদগণি যোগোৱাৰ লগতে আঁচনি সমূহৰ অধিকতৰ সমন্বয় আৰু একত্ৰিকৰণ প্ৰক্ৰিয়াৰে ৰাজ্যখনত সু-দক্ষ প্ৰশাসনত সহায়ক হ’ব।

মই আশা কৰো ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ তথা ‘ইউনিচেফ’ৰ যুটীয়া পদক্ষেপে অংশীদাৰ প্ৰতিষ্ঠানসমূহৰ মাজত বিভাগৰ প্ৰয়াস আৰু ফলপ্ৰসূ কামসমূহৰ বিস্তাৰ হোৱাৰ উদ্দেশ্য সাধন কৰিব।

(ৰকিবুল হুছেইন)

**সমীৰ কুমাৰ খাৰে,**



সত্যমেৱ জয়তে

**অসম চৰকাৰৰ প্ৰধান সচিব**
**আই এ এছ - ৰ**

**শুভেচ্ছাবাণী**

# শুভেচ্ছা বাণী

মই অত্যন্ত সুখী যে ৰাজ্যখনৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তালয়ে 'ইউনিচেফ'ৰ ক্ষেত্ৰ কাৰ্যালয়ৰ সহযোগত মহাত্মাগান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন আৰু ইন্দিৰা আৱাস যোজনা আঁচনিৰ সাফল্যৰ কাহিনীৰে সন্নিৱিষ্ট এখনি পুস্তিকা প্ৰকাশ কৰিবলৈ ওলাইছে। ক্ষেত্ৰ পৰ্যায়ত ৰূপায়িত হোৱা এই ধ্বজাবাহী আঁচনিৰ ওপৰত যুগুতাবলগীয়া তথ্যচিত্ৰ আৰু সৎ প্ৰচেষ্টাৰ বিস্তাৰৰ এই প্ৰচেষ্টাৰ বাবে সংশ্লিষ্ট সমূহ কৰ্মীবৃন্দক মই অভিনন্দন জনাইছো।

মই আশাকৰো যে এই পুস্তিকাখনিয়ে বিভাগৰ সৎ প্ৰয়াসৰ ওপৰত সজাগতা সৃষ্টি কৰাই নহয়, ই সমাজৰ অগ্ৰগামী কৰ্মী, পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ প্ৰতিনিধি তথা বিভিন্ন স্তৰৰ ৰূপায়ণকাৰী বিষয়-ববীয়া সকলক ৰাজ্যখনৰ গ্ৰাম্য জনসাধাৰণ আৰু বিশেষকৈ অসুৰক্ষিত আৰু বিপদাপন্ন শ্ৰেণী বিলাকলৈ প্ৰদান কৰিবলগীয়া কৰ্তব্য সু-চাৰুৰূপে পালন কৰাত সহায়ক হ'ব।

(সমীৰ কুমাৰ খাৰে )

স্থানঃ গুৱাহাটী, অসম
তাৰিখ ঃ ২৮-০৭-২০১৪

ড০ কে কে দ্বিবেদী



এনৰেগা, আই এ ৱাই, বি আৰ জি এফ, এন এছ এ পি সম্পৰ্কে সঘনাই উত্থাপিত প্ৰশ্নৰ প্ৰসংগত পঞ্চায়ত আৰু গ্ৰামোন্নয় বিভাগৰ আয়ুক্তৰ নিদৰ্শনবাণী

# আগ কথা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ৰূপায়ণ কৰা বিভিন্ন ধ্বজাবাহী আঁচনিৰ সাফল্যৰ কাহিনী আৰু সৎ প্ৰচেষ্টাৰ ওপৰত যুগুতোৱা পুস্তিকা এখনি ৰাইজৰ আগত দাঙি ধৰিবলৈ পাই মই বৰ সুখী হৈছো।

বিভাগে ৰূপায়ণ কৰা আঁচনি পৰ্যায়ত উপ-যাচি কৰা সহায়তাই ৰাজ্যখনৰ বৃহৎ সংখ্যক গ্ৰাম্য জনসাধাৰণৰ মাজত কেনেকৈ হাঁহি আৰু সুখৰ বাৰ্তা কঢ়িয়াই আনিছে তাকে দেখুৱালৈ এই পুস্তিকাখনিৰ দ্বাৰা বিনম্ৰ প্ৰয়াস কৰা হৈছে। বিভিন্ন আঁচনি একত্ৰিকৰণ কৰা পদক্ষেপবোৰো এই পুস্তিকাখনিয়ে সাঙুৰি লোৱাৰ লগতে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইনখনে বান প্ৰতিৰোধ, গ্ৰাম্য পথ সংযোগ, জীৱিকা, জলসিঞ্চন নলা আদিৰ দৰে বিষয় সমূহৰ কিদৰে সমাধানৰ পদক্ষেপ লৈছে এইবোৰো ইয়াত প্ৰতিফলিত হৈছে। ইন্দিৰা আৱাস যোজনাৰ অধীনত সামূহিক আৱাস গৃহ নিৰ্ম্মাণৰ আঁচনি গ্ৰহণৰ পদক্ষেপৰ জৰিয়তে ইয়াক ৰূপায়ণ কৰি কি দৰে সমাজৰ অক্ষম আৰু বিধৱা হিতাধিকাৰীসকলক লাভান্বিত কৰিছে তাকো দাঙি ধৰিছে।

পুস্তিকাখনিয়ে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ বাবে এক উল্লেখনিয় পথ পদৰ্শকৰ ভূমিকা পালন কৰিব।

*(ড কে. কে. দ্বিবেদী)*



ডঃ তুষাৰ ৰাণে

ইউনিচেফ, অসমৰ ক্ষেত্ৰ
কাৰ্যালয়ৰ মুখ্য বিষয়াৰ
নিৰ্দৰ্শনবাণী


**United Nations Children's Fund**
**Office for Assam**
House No. 27,
Basisthapur Bylane No. 3
Beltola Road, Guwahati - 781028

Phone +91 0361 2235151
+91 0361 2235153
Fax +91 0361 2235151


# শুভেচ্ছা বাণী

অসমত থকা 'ইউনিচেফ'ৰ ক্ষেত্ৰ কাৰ্যালয় আৰু 'অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ'ৰ যুটীয়া প্ৰচেষ্টাত অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন ধ্বজাবাহী আঁচনিৰ সাফল্যৰ কাহিনী সন্নিৱিষ্ট পুস্তিকা এখনি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই নথৈ আনন্দিত হৈছো।

পুস্তিকাখনিৰ যোগেদি ৰাজ্যখনৰ গ্ৰাম্যাঞ্চলৰ মহিলা সৱলীকৰণৰ লগতে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ নিৰ্বাচিত প্ৰতিনিধিসকলক অধিক তৎপৰতাৰে সমাজ সেৱাৰ কামত ব্ৰতী হ'বলৈ প্ৰচেষ্টা কৰা হৈছে। ইয়াৰ ওপৰিও এমজিএনৰেগাৰ কৰ্মনীতি আৰু ইন্দিৰা আৱাস যোজনাৰ অধীনত থূপখোৱা পদ্ধতিত গৃহ নিৰ্মাণ কৰা প্ৰচেষ্টাই সংশ্লিষ্ট সকলোকে উদগণি যোগাব আৰু পুস্তিকাখনিয়ে আঁচনি ৰূপায়ণৰ বিভিন্ন স্তৰৰ কৰ্মীসকলৰ বাবে উল্লেখনীয় পথ-পদৰ্শক হিচাবে কাম কৰিব বুলি মোৰ দৃঢ় বিশ্বাস।

এই সুযোগতে মই 'ইউনিচেফ'ৰ ক্ষেত্ৰ বিষয়াববীয়াৰ লগতে অসম চৰকাৰ আৰু গ্ৰামোন্নয়ন বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ৰ শলাগ ল'লো।

**ডঃ তুষাৰ ৰাণে,**
মুখ্য বিষয়া,
ইউনিচেফ, অসম

সাফল্যৰ কাহিনী

# বিকশিত গ্ৰামীন অসম

উন্নয়ন আৰু শ্ৰেষ্ঠ সাফল্যৰ তথ্য-সংকলন

## সূচীপত্ৰ


| ক্ৰমিক নং | বিষয়বস্তু | পৃষ্ঠা নং |
|---|---|---|
| ১. | বালিপাৰা উন্নয়ন খণ্ডত একেলগে উপলব্ধ সা-সুবিধাসমূহ | ১ |
| ২. | এনৰেগাৰ দ্বাৰা মৃতপ্ৰায় নুনি পাট পামক ব্যৱসায়িক দৃষ্টিভংগীৰে পুনৰুজ্জীৱিত কৰণ | ৫ |
| ৩. | এনৰেগাৰ অধীনত লিংগ প্ৰেক্ষাপটত সংখ্যালঘু মহিলাৰ সবলীকৰণ | ৭ |
| ৪. | এনৰেগাঃ মানৱ জীৱন, পশুধন আৰু সম্পত্তিৰ ৰক্ষাকৰ্তা | ৯ |
| ৫. | এনৰেগাৰ অন্তৰ্গত বকো ব্লকত সামগ্ৰিক উন্নয়ন | ১১ |
| ৬. | প্ৰাকৃতিক পাহাৰীয়া নিজৰাৰ পানীক নলাৰে কৃষিৰ বাবে খণ্ডা খাললৈ বোৱাই নিয়া | ২১ |
| ৭. | এনৰেগাৰ সাফল্যৰ কাহিনী, শিৱসাগৰ | ২৩ |
| ৮. | ইন্দিৰা আবাস যোজনা (আই এ ৱাই) | ২৪ |

- উত্তৰ পূৰ্বাঞ্চলতেই সৰ্বপ্ৰথম-আই ওৱাই আবাস (কলনী)
- আই এ ৱাই য়ে মোক সুৰক্ষা আৰু মৰ্যদা দিছেঃ ৰানু দেৱী
- আই এ ৱাই গৃহই মোক সাপোন পুৰণ কৰিবলৈ সুবিধা দিলেঃ নুৰুল ইছলাম
- আন সকলোতকৈ আগতে আইএৱাইয়েহে প্ৰথমে সহায় কৰিবলৈ আহিছেঃ আছমা বেগম
- দেউতাই তেওঁৰ সপোনৰ ঘৰত চ মাহ বাস কৰিছিল
- আই এ ৱাই গৃহত মীনাই গৰ্বেৰে কথা কৈছে
- ইন্দিৰা আৱাস যোজনা গৃহৰ সফলতাৰ কাহিনী, শিৱসাগৰ
- ইন্দিৰা আৱাস যোজনা গৃহৰ সফলতাৰ কাহিনী

# বালিপাৰা উন্নয়ন খণ্ডত একেলগে উপলব্ধ সা-সুবিধাসমূহ

*(উন্নয়ন খণ্ড এটাই বহুমুখী প্ৰশাসনিক সা-সুবিধা যোগানৰ ব্যৱস্থা কৰে য'ত গ্ৰামীণ লোকসকললৈ সেৱা আগবঢ়াবলৈ বিভিন্ন সেৱা গোট স্থাপন কৰা হয় আৰু তেওঁলোকৰ মূল্যবান সময়, ধন আৰু শক্তি ৰাহি কৰাত সহায় কৰে।)*



১৯৮৬-৮৭ চনত বালিপাৰা উন্নয়ন খণ্ড প্ৰতিষ্ঠা কৰা হৈছিল। ই জিলা সদৰৰ পৰা ১৬ কিঃ মিঃ দূৰৈত ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ ঘোঁৰামাৰীত অৱস্থিত। উন্নয়ন খণ্ডটো প্ৰশাসনিকভাৱে শোণিতপুৰ জিলাৰ তেজপুৰ ৰাজহচক্ৰৰ সদৰ মহকুমাৰ অধীনত স্থাপন কৰা হৈছিল। ১৯৫৩ চনত প্ৰতিষ্ঠা কৰ বালিপাৰা উন্নয়ন খণ্ডটো আৰম্ভণিতে সামূহিক প্ৰকল্পৰ মুখ্য কাৰ্যালয় আছিল। ১৯৮৬-৮৭ চনত ৮৯৮৪৪.৭০ হেক্টৰ ভূখণ্ডৰে ৰঙাপাৰা উন্নয়ন খণ্ডটো পূৰ্বৰ বালিপাৰা উন্নয়ন খণ্ডটো বিভক্ত কৰি সৃষ্টি কৰা হৈছিল ।এই উন্নয়ন খণ্ডটোৰ অধীনত কৰ্তৃত্বাধীন হৈ আছে ১৫২ খন গাঁও।তাৰ ভিতৰত আছে ৭৮ খন বন গাঁও (অৰণ্য গাঁও) ।

২০০১ চনত উন্নয়ন খণ্ডটোৰ জনসংখ্যা আছিল ২,২৩,৩৩৩ লাখ। তাৰে ভিতৰত আছে ৪৭১২ জন অনুসূচিত জাতিৰ লোক আৰু ৪১,৭৯৪ জন অনুসূচিত জনজাতিৰ লোক। ২০০১ চনৰ লোক পিয়ল মতে এই উন্নয়ন খণ্ডৰ অধীনত ৪১,৭৯৬ টা পৰিয়াল আছে।

খণ্ড উন্নয়ন কাৰ্যালয় চৌহদত ইয়াৰ নিজাববীয়াকৈ ২১ বিঘা, ১ কঠা আৰু ৮ লেছা কাৰ্যালয় ভূমি আছে যাৰ পৰিমাণ হ'ব ৩.৪০ হেক্টৰ। ঘোঁৰামাৰী উন্নয়ন খণ্ডৰ প্ৰশাসনিক সীমাতে আছে গাভৰু, ৰাঙাপাৰা, ন-দুৱাৰ আদি উন্নয়ন খণ্ড।

খণ্ড উন্নয়ন কাৰ্যালয় পৰিদৰ্শন কৰিলে গ্ৰাম্য লোকলৈ আগবঢ়োৱা সেৱাৰ সুবিধা সমূহৰ বিষয়ে থকা সকলো অন্বেষণৰ উত্তৰ পোৱা যায়। উন্নয়ন খণ্ডৰ অধীনত থকা গাঁওসমূহৰ গ্ৰামীণ যোগাযোগ সেৱা ৰাজ্যখনৰ আন অঞ্চলৰ তুলনাত একে মানৰ নহয়। উন্নয়ন খণ্ড পৰিসৰত গ্ৰামীণ জনসাধাৰণক, বিশেষকৈ মহিলাসকললৈ সময়, ধন আৰু শক্তি ৰাহিৰ ক্ষেত্ৰত একেলগে অভাৱনীয় সুবিধা আগবঢ়ায়।

ইয়াৰ পৰিসৰৰ ভিতৰত বালিপাৰা উন্নয়ন খণ্ডৰ মধ্যৱৰ্তী পঞ্চায়ত ব্যৱস্থা আছে। যেনে ঘোঁৰামাৰী আঞ্চলিক পঞ্চায়তৰ সভাপতিৰ কাৰ্যালয় আৰু ইয়াৰ সভাকক্ষ, য'ত যিকোনো সভা আৰু কাৰ্যসূচী সম্পন্ন কৰিবলৈ ২০০ ব্যক্তি অনায়াসে বহিব পাৰে। গ্ৰাম্য সম্প্ৰদায়ক ইয়াৰ সেৱা আগবঢ়াবলৈ তাৰ তলত ঘোঁৰামাৰী গাঁও পঞ্চায়তৰো খণ্ড উন্নয়ন এলেকাত কাৰ্যালয় আছে। একে এলেকাত থকা গাঁও পঞ্চায়তে গাঁওৰ জনসাধাৰণক অধিক যাতায়ত আৰু যাতায়ত ব্যয় বহন নকৰাকৈ আন উন্নয়ন খণ্ড আৰু আঞ্চলিক পঞ্চায়তৰ বিষয়া আৰু কাৰ্যালয়ৰ ওচৰলৈ আহ-যাহত সহায় কৰে। একেদৰে তিনিওটা কাৰ্যালয়ৰ মাজত স্বচ্ছ সমন্বয় ৰক্ষা কৰা হয় আৰু গুৰুত্বপূৰ্ণ অভিযোগবোৰ যিমান পাৰি সোনকালে সমাধা কৰা হয়।

সেইদৰে, গ্ৰাম্য উন্নয়ন আঁচনিৰ বাবে বিত্তীয় পুঁজি সংগ্ৰহ আৰু আন সকলো প্ৰকাৰৰ বিত্তীয় লেন-দেনৰ বাবে অন্যান্য অতি গুৰুত্বপূৰ্ণ গোট গঠন, যেনে উন্নয়ন খণ্ড এলেকাত গ্ৰামীণ বেংকো স্থাপন কৰা হয়। ৮ খন গাঁও পঞ্চায়তৰ ২৭ খন গাঁও সামৰি গ্ৰাম্য জনসাধাৰণক সেৱা আগবঢ়াবলৈ ১৯৮৩ চনত বালিপাৰা উন্নয়ন খণ্ড এলেকাত অসম গ্ৰামীণ বিকাশ বেংক (AGVB) প্ৰতিষ্ঠা কৰা হৈছিল।

বেংকটোৰ শাখাসমূহত প্ৰায় ১৬,২৪২ টা একাউন্ট আছে। শাখাত ৫ খন জি পিৰ বাবে এনৰেগাৰ নিজাববীয়াকৈ একাউন্ট আছে। ২০১১-১২বৰ্ষৰ জিলা উন্নয়ন পুঁজিৰ অধীনত বেংকৰ কাৰ্যালয় ভবন নিৰ্মাণ কৰা হৈছিল। মাহিলী ১৩৫০.০০ টকা ঘৰ ভাড়াত ঘোঁৰামাৰী গাঁও পঞ্চায়তৰ সৈতে বেংক শাখাই ঘৰ ভাড়া চুক্তি কৰি ভবন অধিগ্ৰহণ কৰিছে। সৰ্বমুঠ ৫ টা পূৰ্ণকালীন কৰ্মচাৰী গোট শাখাত নিয়োগ কৰা হৈছে।

বিত্তীয় সংকলনৰ বাবে অনুমোদন জনোৱা চৰকাৰী আঁচনি আৰু কাৰ্যসূচীৰ তালিকাত আছে SHG (পোনপটীয়া ঋণ আৰু আবৰ্তিত পুঁজি), MGNREGA, IAY, SGSY, বৃদ্ধ পেঞ্চন, NFB, KCC, MT AGRI (মীনপালন আৰু কৃষি), SBL, RTA, পথ পৰিবহন,  ASC, KVIC (SSI & PMEGP) আৰু ক্ষুদ্ৰ বিক্ৰেতা বা দোকান ব্যৱসায়ৰ বাবে অন্যান্য ব্যক্তিগত ঋণসমূহ। এনৰেগা হিতাধিকাৰীসকলক ধন প্ৰদানৰ সময়ত শাখাই পৃথক ব্যৱস্থা মুকলি কৰে। বিভিন্ন জি পিৰ এনৰেগা হিতাধিকাৰীসকলৰ বাবে ধন পৰিশোধৰ পৃথক  দিন ধাৰ্য কৰে। খণ্ড উন্নয়ন বিষয়াসকলে বেংক শাখাক ধন পৰিশোধৰ দিনসমূহত লেন-দেন সুচাৰুৰূপে সম্পন্ন কৰাত সহযোগ কৰে।



শাখা প্ৰবন্ধক শ্ৰী বি. আৰ. মজুমদাৰে এই প্ৰসংগত কয়, “আমি সকলো, যিসকলৰ এই পৰিসৰত কাৰ্যালয় গোট আছে তেওঁলোকৰ মাজত এক গভীৰ বুজাবুজি আৰু সমন্বয় আছে। নিশাৰ সময়ত আমাৰ কোনো সুকীয়া সুৰক্ষাৰ ব্যৱস্থা নাই, সেয়ে এই পৰিসৰৰ ভিতৰত মই অন্ততঃ নুন্যতম সুৰক্ষিত হৈ থকা বুলি ভাবো। আমি অভাবী মানুহক আমাৰ সেৱা আগবঢ়াবলৈ পাই সুখী হৈছো আৰু তেওঁলোকৰ লগত আমাৰ সৌহাৰ্যপূৰ্ণ সম্পৰ্ক আছে।”

উন্নত কৃষিপাম প্ৰযুক্তি প্ৰসাৰ কৰিবলৈ আৰু পৰামৰ্শ সেৱা আগবঢ়াৰলৈ জিলা কৃষি প্ৰযুক্তি উন্নয়ন অভিকৰণে (এজেন্সী) বালিপাৰা খণ্ড উন্নয়ন এলেকাত এক খণ্ড উন্নয়ন সম্পদ কেন্দ্ৰ প্ৰতিষ্ঠা কৰিছে।

কৃষি বিষয়ক বিশেষজ্ঞৰ এটা দলে নিয়মীয়াকৈ আৰু বিচৰামতে পৰামৰ্শ সেৱা আগবঢ়ায়। খণ্ড পৰিসৰত কৃষকসকলৰ সৈতে সঘন আলোচনা আৰু আন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

সেৱাকৰ্তা আৰু গ্ৰাম্য সম্প্ৰদায়ৰ মাজত পশু চিকিৎসা সেৱাৰ দীৰ্ঘদিনীয়া সম্পৰ্ক আছে। কৃত্ৰিম প্ৰজনন আৰু আন পশু চিকিৎসা সম্বন্ধীয় সেৱাৰ সুবিধা আগবঢ়াবলৈ উন্নয়ন খণ্ড এলেকাত এক কৃত্ৰিম প্ৰজনন (AI) কেন্দ্ৰ স্থাপন কৰা হৈছে। পশু চিকিৎসা সেৱা কেন্দ্ৰটোৰ লগতে পথাৰ গাঁওসমূহতো আগবঢ়োৱা হৈছে।

পশু চিকিৎসা বিভাগৰ সৈতে জি পি আৰু এ পিৰ কাৰ্যালয়সমূহৰ মাজত সু-সমন্বয়ৰ সম্পৰ্ক বৰ্তি থাকে। গাহৰি পালন, বোৱন, খাদ্য প্ৰস্তুত ইত্যাদিৰ দৰে আয় বৃদ্ধি কৰা ব্যৱস্থা গ্ৰহণ আৰু আত্মসহায়ক গোট গঠন কৰি ধন সঞ্চয় আৰু ঋণপ্ৰদানৰ গোট গঠনৰ প্ৰতি মহিলাসকলৰ আগ্ৰহ আৰু বৰ্ধিত আগ্ৰহে উন্নয়ন খণ্ডৰ বিষয়াসকলক সকলো সুবিধা থকা বিভিন্ন ষ্টলেৰে সৈতে আত্মসহায়ক বজাৰ গৃহ নিৰ্মাণ কৰিবলৈ উদ্বুদ্ধ কৰিছে।

আত্মসহায়ক গোটবোৰে পূজা আৰু বিহুৰ সময়ত তেওঁলোকৰ উৎপাদিত সামগ্ৰী আনে আৰু বজাৰত বিক্ৰীৰ বাবে প্ৰদৰ্শন কৰে। একেদৰে, আত্মসহায়ক গোটসমূহৰ প্ৰদৰ্শন আৰু মহিলাৰ শক্তি-সামৰ্থই বিভিন্ন গাঁৱৰ পৰা অহা আন মহিলা সদস্যসকলকো আত্ম-সহায়ক গোট গঠন কৰাত আৰু উৎপাদন মুখী কাৰ্যকলাপত জড়িত হ’বলৈ উৎসাহ যোগায়।



সম্প্ৰতি ৰাজ্যখনত ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযান (NRLM) ৰূপায়ন কৰা হৈছে। গভীৰ ভাবে আশা কৰা হৈছে যে আত্মসহায়ক বজাৰ কেন্দ্ৰ আত্মসহায়ক সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত মুখ্য স্থান ৰূপে স্বীকৃত হৈ উঠিব।





তথ্য প্ৰসাৰৰ দিশত প্ৰয়োজনীয় সকলো প্ৰাথমিক তথ্য প্ৰযুক্তি সুবিধা উপলব্ধ হোৱাকৈ এনৰেগাৰ সহযোগত এক সু-নিৰ্মিত MIS কক্ষ স্থাপন কৰা হৈছে। এম আই এছ কক্ষই এম পি আৰৰ বাবে ডাটা আপলোডিং, প্ৰতিদিনৰ কম্পিউটাৰ সম্পৰ্কীয় কৰ্ম আৰু আন তথ্য প্ৰযুক্তি সেৱা সকলো গাঁও পঞ্চায়তলৈ আগবঢ়ায়।

যেতিয়া পৰিৱেশ সুৰক্ষা আৰু জলবায়ু পৰিবৰ্তন সম্পৰ্কে সমগ্ৰ বিশ্বই বৰ বিশেষভাবে সজাগ, সেই দিশত বালিপাৰা উন্নয়ন খণ্ডই বহুদিন আগতেই পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত ভৰি থৈছে। কাৰ্যালয় চৌহদৰ পাছফালে সামাজিক বনানীকৰণ বিভাগে ৩.৪০ হেক্টৰ ভূমিত বিশাল সেউজীয়া ৰোপণ কৰাত চৌহদটো বৰ আকৰ্ষণীয় দেখাইছে। ১৫ বছৰতকৈ অধিক বয়সৰ বিভিন্ন প্ৰকৃতিৰ পুৰঠ গছসমূহে আৰু বহু বিস্তৃত নিৰ্জন পথে যেন সৰু সংৰক্ষিত হাবিৰ অনুভব মনলৈ আনে।



# এনৰেগাৰ দ্বাৰা মৃতপ্ৰায় নুনি পাট পামক ব্যৱসায়িক দৃষ্টিভংগীৰে পুনৰুজ্জীৱিত কৰণ




অসম চৰকাৰৰ ৰেছম বিভাগৰ দ্বাৰা ১৯৮৯-৯০ চনত বেছেৰীয়া নুনি (Mulbery) কৃষিপাম প্ৰতিষ্ঠা কৰা হৈছিল। একেবাৰে আৰম্ভণি কালছোৱাত নুনি পাতৰ গছ প্ৰতিপালন আৰু কাষৰীয়া গাঁও সমূহৰ শিপিনী সকলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰাত বৰ সক্ৰিয় ভূমিকা পালন কৰিছিল। পামখনক সুতা বোৱা কেন্দ্ৰলৈ উন্নীত কৰা হৈছিল। সি যি নহওঁক কেই বছৰমান ধৰি পামখন মৃত প্ৰায় হৈ পৰিছে আৰু ইয়াৰ সকলো যন্ত্ৰপাতি ব্যৱহাৰ নকৰাৰ ফলত অকামিলা হৈ পৰিছে। পামখন উন্নীতকৰণ আৰু পুণৰুজ্জীৱিত কৰণৰ বাবে আগলৈ কোনো পুঁজি নথকাত কাৰ্যকলাপহীন ভাবে উৎপাদনমুখী সমগ্ৰ ভূমিখণ্ড অনুৰ্বৰ হৈ পৰিছে। স্থানীয় সম্প্ৰদায় পামখনৰ এই শোচনীয় অৱস্থা সম্পৰ্কে অবগত, যিয়ে চৰকাৰী পামখনৰ মৃত্যমুখী অৱস্থাৰ সাক্ষী হৈ আছে।

বেছেৰীয়া আৰু পৰ্বতীয়াৰ দৰে আন গাঁওসমূহৰ স্থানীয় জনসাধাৰণে কিছুমান উন্নয়নমূলক আঁচনিৰে পামখন পুনৰুজ্জীৱিত কৰিবলৈ খণ্ড উন্নয়ন বিষয়াক সদায় অনুৰোধ জনাই আহিছে। এইদৰে এনৰেগাৰ বিস্তৃত নীতি-নিৰ্দেশনাৰ অধীনত ভূমি উন্নয়ন আঁচনিৰ অধীনত বিডিঅ' আৰু তেওঁৰ দলৰ সক্ষম নেতৃত্বত বেছেৰিয়া গাঁও পঞ্চায়তৰ দ্বাৰা গাঁও সভাত পাম পুনৰুজ্জীৱিত কৰিবলৈ এক প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল।

একে সময়তে জিলা পৰিকল্পনা কমিটিত অনুমোদনৰ বাবে এক বিতং প্ৰাক-কলন আঁচনি প্ৰস্তুত কৰিবলৈ গাঁও সভাত এক প্ৰস্তাৱ গৃহীত কৰা হৈছিল।

সেই অনুসৰি ভূমি উন্নয়ন আৰু নুনি পাট ৰোপণৰ - এনৰেগা কাৰ্যৰ বাবে ১.৪৩ লাখ টকাৰ প্ৰা-কলন আঁচনিত অনুমোদন জনোৱা হৈছিল।

আঁচনিখনৰ বাবে মজুৰি আৰু সামগ্ৰী ব্যয়ৰ অনুপাত হৈছে ১১৪২৪০ টকা মজুৰিৰ বাবে আৰু তিনি বছৰৰ বাবে পামত তদাৰকী সহ বৃক্ষৰোপণ, সামগ্ৰী ব্যয় ৩০৬০০ টকা।

বৃক্ষৰোপণ উপযোগী পথাৰলৈ পৰিণত কৰিবলৈ জব কাৰ্ড ধাৰক সকলৰ দ্বাৰা ২০১২ চনৰ ১২ মে'ত অনুৰ্বৰ ভূমিৰ বিকাশ কৰা হৈছিল। চৰকাৰী পামৰ পৰা প্ৰায় ১৬৮৫ সংখ্যক নুনি পাটৰ গছ পুলি অনা হৈছিল। পানী যোগান, অপতৃণ নিৰ্মূল আদি এনৰেগা কৰ্মৰ অধীনত গছপুলিৰ বীজ সিঁচা কাৰ্য সম্পন্ন কৰা হৈছিল। এনৰেগা কৰ্মীসকলৰ ৰেছম বিভাগৰ দ্বাৰা নুনি পাট ৰোপন আৰু ইয়াৰ প্ৰতিপালৰ কাৰিকৰী কাম কাজৰ প্ৰশিক্ষণ দিয়া হৈছিল।



তাৰ লগতে পামত কিছুসংখ্যক চোম বৃক্ষৰোপাণৰ ব্যৱস্থা কৰা হৈছে বীজ উৎপাদন আৰু চোম বৃক্ষৰোপণৰ ভৱিষ্যত প্ৰসাৰৰ বাবে। শিপিনীসকলৰ মাজৰ চোম পাতৰো উচ্চ চাহিদা আছে। পামত যথেষ্ট ঠাই থকা বাবে পামত নুনি পাট আৰু চোম পাটৰ প্ৰসাৰৰ পৰ্যাপ্ত সম্ভাৱনা আছে।

সম্প্ৰতি নুনি পাটৰ গছবোৰ লহপহকৈ বাঢ়িছে আৰু আশা কৰা হৈছে ৬ মাহৰ ভিতৰত নুনি পলুক খুৱাব পৰাকৈ উপযোগী হৈ উঠিব। আশা কৰা হৈছে যে পামখনে বেছেৰীয়া আৰু পৰ্বতীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত খন ৮ খন গাঁওৰ ৩০০ শিপিনীৰ চাহিদা পুৰণ কৰিবলৈ সক্ষম হ'ব।

যেতিয়া বেছেৰীয়া নুনি (Mulberry) পামখন সক্ৰিয় আছিল তেতিয়া বিস্তৃত সেউজীয়াই আবৰা এলেকাই পামখনৰ পূৰ্বৰ স্থিতি উজ্জ্বল কৰি তুলিছিল। বিভাগীয় তদাৰকীৰ দ্বাৰা প্ৰতিদিন ভিত্তিত পামখন পৰিচালনা কৰা হৈছে। সি যি নহওক, পামখনৰ তদাৰক কৰা বাবে গাভৰু উন্নয়ন খণ্ড আৰু বেছেৰীয়া গাঁও পঞ্চায়তৰ কৰ্মকতাই সুক্ষ্ম নিৰী ক্ষণ কৰে।

সামূহিক উন্নয়নৰ দিশত এনৰেগা আৰু ৰেছম বিভাগৰ উদ্যোগত একমুখী গভীৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। কৰ্মসংস্থান বৃদ্ধিৰ লগতে ব্যৱসায়িক দৃষ্টিৰে নুনি পাট উৎপাদন কৰিবলৈ গুণগত প্ৰচেষ্টা বৃদ্ধি কৰা হৈছে।

# এনৰেগাৰ অধীনত লিংগ প্ৰেক্ষাপটত সংখ্যালঘু মহিলাৰ সবলীকৰণঃ



শোণিতপুৰ জিলাৰ গাভৰু উন্নয়ন খণ্ডৰ অন্তৰ্গত ভুমূৰাগুৰী গাঁও পঞ্চায়তে, ইয়াৰ সীমা ভগাই লৈছে ব্ৰহ্মপুত্ৰ নদীয়ে বিভক্ত কৰা নগাঁও জিলাৰ বিভিন্ন ঠাইত। ১০ টা ৱাৰ্ডৰ সৈতে ভুমূৰাগুৰি গাঁও পঞ্চায়তখন সম্পূৰ্ণৰূপে সংখ্যালঘু মুছলিম বাসিন্দাই প্ৰভাৰ বিস্তাৰ কৰিছে। প্ৰতিবছৰে বাৰিষা কালছোৱাত ব্ৰহ্মপুত্ৰ নদীৰ ভটীয়নি সোঁত আৰু সঘন বানপানীয়ে আক্ৰান্ত কৰি থাকে এই অঞ্চলসমূহক।

৫২ নং ৰাস্থীয় ঘাইপথৰ দাঁতি কাষৰীয়া হোৱা বাবে ভুমুৰাগুৰি গাঁও পঞ্চায়তত থকা বহু ক্ষুদ্ৰ উদ্যোগে বাণিজ্য প্ৰসাৰ আৰু ব্যৱসায়ৰ অংশৰূপে আগভাগ লৈছে। গাঁও পঞ্চায়তখনৰ গ্ৰাম্য সম্প্ৰদায়ৰ বেছি সংখ্যকেই কৃষক আৰু দিন মজুৰি কৰা লোক। পুৰুষসকল কাষৰৰ কাৰখানাত কাম কৰিবলৈ যোৱাৰ সময়ত মহিলাসকল ঘৰত থাকে অথবা পথাৰত কাম কৰিবলৈ যায়।

এই ক্ষেত্ৰত অঞ্চলটোৰ লোকসকলে জীৱিকাৰ সুযোগ থকা যিকোনো কাৰ্যসূচীকে আদৰণি জনায়। একেদৰে গাওঁ পঞ্চায়তত যেতিয়াই কাৰ্যসূচী ৰূপায়ণ কৰা হয়, সদায় কাৰ্যকৰীভাবে ৰূপায়িত হয় আৰু সকলোৱে অংশগ্ৰহণ কৰে।

এনৰেগা কৰ্মসূচীৰ যোগেদি নিৰ্মাণকাৰ্যৰ অন্তৰ্গত এখন গাঁও ভোজখুৱাৰ সৈতে এটা ৱাৰ্ডৰ মাজত গাঁৱলীয়া পথেৰে সংযোগ কৰা হয়। ৬০ শতাংশতকৈ অধিক কৰ্মী মহিলা। তেওঁলোকৰ বহুতে গিৰীয়েকৰ নামত থকা জব কাৰ্ডৰ নামত কাম কৰি আছে। তিৰোতাসকলে ঘৰুৱা কাম সম্পন্ন কৰি এনৰেগাৰ অধীনত কাম কৰাটো পছন্দ কৰে কাৰণ তেওঁলোক দূৰলৈ যাব নোৱাৰে আৰু তেওঁলোকে নিজৰ ঘৰবোৰলৈকো চকু দিব লাগে।



যদিও তেওঁলোকৰ ল'ৰা-ছোৱালী আছে, কিন্তু সাধাৰণতে তেওঁলোকে সিহঁতক কাম কৰা ঠাইলৈ লৈ নাহে। সিহঁতক ঘৰত থৈ আহে। তিৰোতাসকলে তেওঁলোকৰ সতীৰ্থ কৰ্মীৰ অনুমতি লৈ নিয়মীয়া জিৰণিৰ সময়ত ল'ৰা-ছোৱালীক গাখীৰ খুৱাবলৈ নিজৰ ঘৰলৈ আহে। তেওঁলোকে ৮ বজাৰ লগে লগে কামলৈ আহে আৰু দুপৰীয়া আহাৰৰ বাবে ১ ঘন্টা জিৰণি লয়। বেছিভাগৰে ১০০-২০০ মিটাৰ গড় দুৰত্বত নিজৰ বাসস্থান আছে। দৈনিক তেওঁলোকে তেওঁলোকৰ কাম ৪ বজাৰ আগতে শেষ কৰে। মুঠ ৩৮ টা পৰিয়াল/জব কাৰ্ড ধাৰীয়ে কৰ্মস্থলীত কাম কৰে।

নব নিৰ্বাচিত গাঁও পঞ্চায়তৰ সভাপতি ৰেহেনা খাতুনক যোৱা ৪ মাহ ধৰি কাৰ্যালয়ত এনৰেগাৰ কাম কৰি থকা অভিজ্ঞতা সম্পৰ্কে সোধোঁতে তেওঁ হাঁহি এটা মাৰি ক'লে, "আপুনি জানেই যে গাঁও পঞ্চায়তৰ সভাপতিৰূপে মই অলপতে দায়িত্ব ভাব বুজি লৈছোহে মাত্ৰ। কিন্তু এগৰাকী মাতৃ আৰু তিৰোতা হোৱা বাবে তিৰোতা আৰু ল'ৰা-ছোৱালীয়ে মুখামুখি হোৱা সমস্যা বুজি পাওঁ। সেয়ে যেতিয়াই সুযোগ পাওঁ মই গাঁৱৰ মানুহবোৰক লগ ধৰা আৰু তেওঁলোকৰ সমস্যাবোৰ জনাত অগ্ৰাধিকাৰ দিও। মই আশা কৰো পৰৱৰ্তী বছৰত পঞ্চায়তসমূহৰ সমস্যাবোৰ সমাধানৰ বাবে মই আন সদস্যৰ সহযোগত নেতৃত্ব ল'ব পাৰিম।" আৰু আমাৰ গাওঁবোৰৰ বিকাশ কৰিবলৈ সক্ষম হ'ম ।



নাৰী সবলীকৰণৰ লিংগভিত্তিক প্ৰেক্ষাপটত নাৰী সতীৰ্থৰ দ্বাৰা এক উদ্ধত সক্ৰিয় ভূমিকা পালন কৰিছে। ভোজখোৱা গাঁৱৰ আইছা খাতুন নামৰ এগৰাকী বিধৱা মহিলাই তেওঁৰ শাৰীৰিকভাবে অক্ষম পুত্ৰৰ সৈতে বাস কৰে। তেওঁৰ স্বামী জীৱিত থাকোঁতেও তেওঁ যোৱা ৩০ বছৰ ধৰি বিভিন্ন ধৰণৰ কাম কৰি আছিল। তেওঁৰ এটুকুৰা মাটি আছে যি গোটেই বছৰটোৰ বাবে তেওঁৰ পৰিয়ালটোৰ ভৰণ-পোষণ কৰিবলৈ যথেষ্ট নহয়।

মিছেছ আইছা খাতুন হৈছে কৰ্মস্থলীৰ আটাইতকৈ জ্যেষ্ঠ সদস্য আৰু তেওঁৰ জ্ঞান আৰু অভিজ্ঞতাৰ বাবে সকলোৱে তেওঁক সন্মান কৰে। ৫২নং ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মানৰ কালছোৱাত বহু ঠিকাদাৰ আৰু নিৰীক্ষকৰ পোনপটীয়া নিৰীক্ষণত বহু বছৰ ধৰি তেওঁ গড়কাপ্তানী বিভাগত চাকৰি কৰিছে আৰু তেওঁ যোৱা ৫ বছৰ ধৰি এনৰেগাৰ অধীনত কাম কৰি আছে আৰু যোৱা ৩ বছৰ ধৰি স্বীকৃত নেত্ৰীৰূপে কাম কৰি আছে।

তেওঁ মহিলা-পুৰুষ সকলো কৰ্মীৰে উপস্থিতি তদাৰক কৰে। মাক আৰু দুগ্ধ পান কৰা শিশু আৰু বিধৱাসকলৰ বিশেষ যত্ন লয়। কোৱা হয় তেওঁ আনকি তেওঁৰ পূৰ্বৰ অভিজ্ঞতা আৰু জ্ঞানেৰে পথ নিৰ্মাণৰ নিৰ্দিষ্ট কাৰিকৰী জ্ঞানৰ বিষয়ে কনিষ্ঠ অভিযন্তাসকলক নিৰ্দেশনাও দিয়ে। আনকি দল নেত্ৰী হোৱা সত্বেও তেওঁ লগৰীয়া মহিলা কৰ্মীসকলৰ লগত শ্ৰমিকৰূপেও কাম কৰে।

তেওঁক ভালকৈ জানিবলৈ এনৰেগাৰ কৰ্ম সম্পৰ্কে তেওঁৰ অভিজ্ঞতা আৰু অনুভৱ ব্যক্ত কৰিবলৈ কোৱা কৈছিল আৰু তেওঁ বৰ আত্ম বিশ্বাসেৰে ভাব প্ৰকাশ কৰি কৈছিল, " এনৰেগাই আপোনাক ঘৰৰ কাষতে কাম কৰিবলৈ সুবিধা দিছে, যেনে, স্থানীয় অঞ্চলত মহিলাসকলে তেওঁলোকৰ কাম শেষ হোৱাৰ পাছত ঘৰত এনেয়ে বহি থাকে। তাৰ সলনি কাম কৰা আৰু উপাৰ্জন কৰাই শ্ৰেয়। এনৰেগাৰ কামৰ যোগেদি আমি যি উপাৰ্জন কৰো, ইয়ে আমাৰ পৰিয়ালৰ আয় বৃদ্ধি কৰে আমি আমাৰ খাদ্য, কাপোৰ, ঔষধ, ঘৰুৱা ইন্ধন, ল'ৰা- ছোৱালীৰ শিক্ষাৰ খৰছ, ঋণ পৰিশোধ ইত্যাদি পুৰাবলৈ টকা খৰছ কৰো। এতিয়া আমাৰ বাবে দোকানৰ পৰা খাদ্য সামগ্ৰী বাকীত কিনিবলৈ সহজ হৈছে। কিয়নো তেওঁলোকে জানে যে আমি পাছত এনৰেগাৰ কাম কৰি পুৰণ কৰিব পাৰিম। মই এনৰেগাৰ অধীনত কাম কৰি সুখী অনুভৱ কৰিছো আৰু আশা কৰো আন সকলোৱে কৰিছে।"

# এনৰেগাঃ মানৱ জীৱন, পশুধন আৰু সম্পত্তিৰ ৰক্ষাকৰ্তা

২০১২ চনত অসমত হোৱা বানপানীৰ তিনিটা ঢৌত বহু মথাউৰি ভাগিছে আৰু ক্ষতিসাধন হৈছে। ফলত ৰাজ্যখনৰ গাঁৰৰ মানুহৰ জীৱন, পশুধন আৰু সম্পত্তিৰ বৃহৎ লোকচান হৈছে। আন উন্নয়ন খণ্ডৰ দৰে শোনিতপুৰ জিলাৰ অন্তৰ্গত বিশ্বনাথ উন্নয়ন খণ্ডতো প্ৰায় ৪ কিঃমিঃ এলেকা জুৰি বান্ধ বা মথাউৰি ভগাৰ সাক্ষী হ'বলগীয়া হৈছে। বান পানী দুখন জিপিত বহল ভাবে সৰাগুৰি আৰু কুমলিয়াত প্ৰৱেশ কৰি চতিয়া আৰু ন-দুৱাৰ উন্নয়ন খণ্ডৰ আন সংলগ্ন গাঁৰ-সমূহলৈ ধাবিত হৈছে। এই তিনিটা উন্নয়ন খণ্ডৰ বহু গাঁও পানীৰ তলত ডুব গৈছে আৰু যোৱা ২৩ বছৰ ধৰি এনে বানপানীৰ কেতিয়াও মুখামুখি হৈ পোৱা নাই। এনে ক্ষতিৰ বাবে মানুহবোৰ সাজু নাছিল, সেয়ে সম্পত্তি আৰু পশুধনৰ ক্ষেত্ৰত বিস্তৰ লোকচান হৈছিল।



বাৰিষা কাল পাৰ হোৱাৰ পাছত ২০১২-১৩ বৰ্ষত জল সম্পদ বিভাগে খণ্ড উন্নয়ন বিষয়াৰ সহযোগত বান্ধবোৰ পুনৰ নিৰ্মাণ কৰিছিল।

যি কি নহওক, মথাউৰি (বা বান্ধ) দুৰ্বল অবস্থাত থকা বাবে এতিয়াও জীৱনলৈ সম্ভাব্য ভাবুকি কঢ়িয়াই অনা বাবে স্থানীয় লোকসমূদায়ে জৰুৰী অৱস্থাৰ সময়ত হোৱা প্ৰয়োজনীয়তাৰ কথা বুজি গাঁও পঞ্চায়তৰ সভাপতি আৰু বিডিঅ'ক মথাউৰি সংলগ্ন এক ওখ ভেটি নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ দিছিল।



গাঁও পঞ্চায়তৰ জন প্ৰতিনিধিসকলে গাঁও সভাৰে আলোচনাৰ যোগেদি সৰ্বাধিক পৰিয়াল থাকিব পৰা ওখ ভোট নিৰ্মাণৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে। সেই অনুসৰি এনৰেগাৰ অন্তৰ্গত নিৰ্ধাৰিত আঁচনি প্ৰস্তুত কৰা হয় আৰু জিলা পৰিকল্পনা কমিটীয়ে পূৰ্বৰ বানপানীৰ ক্ষতিলৈ চাই ওখ ভেটি নিৰ্মাণৰ বাবে অনুমোদন জনায়।

এনৰেগাৰ অধীনত সৰাগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত মিৰিভুটি গাঁৰত নবনিৰ্মিত মথাউৰি সংলগ্ন কৰি ওখ ভেটি নিৰ্মাণ কৰা হৈছে।

এনৰেগাৰ অধীনত ২০১২-১৩ বিত্তীয় বৰ্ষত আঁচনিখন গ্ৰহণ কৰা হৈছিল। আঁচনিখনত মুঠ খৰছ হৈছিল মজুৰিৰ বাবে ৫ লাখ আৰু ৪.৮০ লাখ আৰু সামগ্ৰীৰ বাবে

একেদৰে, এনৰেগাৰ অধীনত কুমলিয়া গাঁও পঞ্চায়তত বানপানীৰ সময়ত জৰুৰীকালীন অৱস্থাত জনসাধাৰণৰ জীৱন, পশুধন আৰু সম্পত্তি ৰক্ষা কৰাৰ প্ৰয়াসেৰে জুলাবস্তীৰ ওচৰত আন এটা ওখ ভেটি বাঘা কেন্দ্ৰত নিৰ্মাণ কৰা হৈছিল।

ওখ ভেটি নিৰ্মাণৰ বাবে গৃহীত ৫ লাখ টকাৰ ভিতৰত ৪,৮১,২৬৪ টকা আছিল মজুৰি ব্যয় আৰু ১৮,৭৩৬ টকা আছিল সামগ্ৰী ব্যয়। কামটোত ৩৬৯৯ জন মজুৰি প্ৰয়োজন হোৱা কামটোত ১৬১ টা পৰিয়াল / জব কাৰ্ড ধাৰীয়ে অংশগ্ৰহণ কৰিছিল।



২০১৩ চনৰ জুন মাহত কাৰ্যকৰীভাবে ওখ ভেটি দৃশ্যমান হয়। যেতিয়া ধাৰাসাৰ বৰষুণৰ বাবে ব্ৰহ্মপুত্ৰ নদীৰ পানী দুয়োপাৰে উপচি পৰিছিল, মথাউৰি ছিগাৰ ফলত ইতিমধ্যে অঞ্চলসমূহ পানীৰে পবিত হৈ পৰিছিল। মানুহে তেওঁলোকৰ অস্থায়ী বাসগৃহ, আৱশ্যকীয় সম্পত্তি আৰু পশুধন লৈ ওখ ভেটিত আশ্ৰয় লৈছিল।

বিশ্বনাথৰ খণ্ড উন্নয়ন বিষয়া মিঃ আবুল হুছেইনে উল্লেখ কৰি কৈছিল, “ ২০১২ চনৰ বানপানীয়ে সকলোপিনে হাহাকাৰৰ সৃষ্টি কৰি প্ৰলয় আনিছিল। নদীৰ কাষত বাস কৰা দুখীয়া লোকসকলে হঠাৎ মথাউৰি ছিগাৰ ফলত দিশহাৰা হৈ পৰিছিল, সম্পত্তি আৰু পশুধনৰ লোকচান হৈছিল। বানপানীয়ে সংহাৰ সৃষ্টি কৰাৰ পাছত ভৱিষ্যতে যাতে অনুৰূপ পৰিস্থিতি সৃষ্টি নহয় তাৰবাবে আগতীয়াকৈ সাৱধানতা অৱলম্বন কৰিবলৈ গাঁও সভাই ওখ ভেটি নিৰ্মাণৰ পৰিকল্পনা কৰে আৰু অনুমোদন জনায়। ভৱিষ্যতে বানপানী বঢ়াৰ লগে লগে লোকসকলে ইতিমধ্যে এই ওখ ভেটিত আশ্ৰয় লোৱা দেখিবলৈ পাব।”

# এনৰেগাৰ অন্তৰ্গত বকো ব্লকত সামগ্ৰিক উন্নয়ন ঃ

কামৰূপ জিলা (গ্ৰাম্য) ৰ অন্তৰ্গত বকো উন্নয়ন খণ্ডটো জিলা সদৰৰ পৰা ৬৩ কিঃমিঃ নিলগত অৱস্থিত। ১৩৮ খন গাঁৱৰে বকো ব্লকে পূবত বনগাঁও উন্নয়ন খণ্ড, পশ্চিমত ৰংজুলি উন্নয়ন খণ্ড, দক্ষিণত মেঘালয় আৰু উত্তৰত ছমৰীয়াৰ সৈতে সীমান্ত সামৰি ২৫২,৯৪ বৰ্গ কিঃমি আগুৰিছে। বকো ব্ল'কৰ বাসিন্দাসকলৰ বেছি ভাগে জনগোষ্ঠীয়, যেনে বড়ো, ৰাভা, হাজং আৰু গাৰোৰ লগতে আছে অসমীয়া, বঙালী, মুছলিম ধৰ্মাৱলম্বী আৰু হিন্দী সম্প্ৰদায়ৰ লোক। ব্ল'কটোত ২৩৫২৪ টা পৰিয়াল আছে, তাৰ ভিতৰত এনৰেগাৰ অধীনত ১৩৪৬৮ খন জব কাৰ্ড প্ৰদান কৰা হৈছে। মুঠ ৮৮৭ জন জব কাৰ্ড ধাৰী অনুসূচিত জাতি সম্প্ৰদায়ৰ আৰু ৯০৮৪ জন জব কাৰ্ডধাৰী অনুসূচিত জনজাতি সম্প্ৰদায়ৰ।



বকো ব্লকৰ মাজেৰে বৰ গুৰুত্বপূৰ্ণ পথ, ৰাষ্ট্ৰীয় ঘাই পথ পাৰ হৈ গৈ গোৱালপাৰা জিলা, ধুবুৰীৰ কিছু অংশ আৰু উত্তৰ-পূবৰ দুৱাৰ মুখ গুৱাহাটীক সামৰি মেঘালয় জিলাৰ গাৰো পাহাৰক সংযোগ কৰিছে।

ইয়াক আগুৰি আছে গাৰো পাহাৰৰ কোমল বিশাল সেউজীয়া, নদী অঞ্চল, ঘাইপথৰ দুপাৰে জন মালিকাধীন যুটীয়া বনানীকৰণ, শস্য পথাৰ আৰু ইয়াৰ লগতে আছে ঐতিহাসিক গোষ্ঠীগত সংঘাত, স্বায়ত্ব শাসিত পৰিষদ আৰু ষষ্ঠ অনু সূচীৰ জনগোষ্ঠীৰ দাবীত সৃষ্টি হোৱা সঘন অশান্তি। সি যি নহওক নানা অশান্তিৰ মাজতো বকো ব্লক অসম ৰাজ্যত ইয়াৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ কাৰণে জনাজাত নাম।

ব্লকটোত ৰূপায়িত হৈ থকা বিভিন্ন কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ পৃষ্ঠাপোষকতা থকা আঁচনিৰ ভিতৰত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনিখনে (MGNREGA) ব্লকত সামাজিক উন্নয়নত উল্লেখনীয় সফলতা আনিবলৈ সক্ষম হৈছে। এনৰেগাৰ কেইটা মান গৌৰৱোজ্জ্বল সফল কৰ্মৰ ভিতৰত আছে কৰ্মসংস্থাপন বৃদ্ধি আৰু আয় বৃদ্ধিৰ যোগেদি জনসাধাৰনৰ বিকাশত উৎ সাহ যোগোৱা।



অসমত কল বিপ্লৱ ঃ অঞ্চলটোত কলৰ বিশাল বজাৰ চাহিদা আছে। আগতে অসম আৰু মেঘালয়ৰ পৰা অহা কলৰ বজাৰ চলিছিল দেশৰ আন অংশ পশ্চিম বংগ, বিহাৰ আনকি নেপালৰ দৰে ৰাজ্যত। এই অঞ্চলৰ পৰা কলৰ বিক্ৰীৰ ক্ষেত্ৰত দৰংগিৰি কল বজাৰ এছিয়াত বৰ ভালকৈ প্ৰসিদ্ধ। দৰংগিৰি বজাৰ বকো ব্লকৰ ওচৰত অৱস্থিত। কলৰ বজাৰ চাহিদা সহজেই দেখা যায় আৰু সদায়ে ইয়াক সুপথ্য ফল ৰূপে অভিহিত কৰা হৈছে। সি যি নহওক বছৰ বছৰ ধৰি কলৰ খেতি বিজ্ঞানসন্মত ভাবে নকৰাৰ ফলত ৰাজ্যখনৰ লগতে সেই অঞ্চলটোতো উৎপাদন কমি গৈছে।

বকো ব্লক কাৰ্যালয়ৰ পৰা মাত্ৰ ৬৩ কিঃমিঃ নিলগত অৱস্থিত গুৱাহাটীলৈ ৰাজ্যখনৰ বাকী অঞ্চলৰ পৰা ক্ৰমাৎ বৰ্ধিত প্ৰব্ৰজনে কলৰ বজাৰ চাহিদা ৩ গুণ বৃদ্ধি কৰিছে। গ্ৰাহকৰ চাহিদা অনুপাতে গুৱাহাটীৰ ওচৰত কলৰ উৎপাদন পৰ্যাপ্ত নহয়।ইয়াত ভবিষতে কলৰ বিপ্লৱৰ বীজ অংকুৰিত হ'ব।

অসম চৰকাৰৰ কৃষি বিভাগে মহাৰাষ্ট্ৰৰ জল গাঁৱত বিজ্ঞানসন্মত ভাবে কলৰ খেতিৰ সৈতে জড়িত ১৫ গৰাকী প্ৰগতিবাদী যুৱকক প্ৰশিক্ষণ দিয়ে। এই যুৱকসকলে প্ৰশিক্ষণৰ অন্তত তেওঁলোকে নিজৰ ভূমিত কলৰ খেতি আৰম্ভ কৰিছিল। কৃষি বিভাগৰ সবল নিৰ্দেশনাই ৭১পুব-ভেকেলি গাঁও পঞ্চায়তৰ আন কৃষক, যুৱক আৰু তিৰোতা দলক উৎসাহিত কৰিছিল আৰু বিপুল চাহিদাযুক্ত কলৰ নিচিনা অধিক লাভজনক ফলৰ খেতি কৰিবলৈ অধিক আগ্ৰহী হৈ পৰিছিল। স্থানীয় সম্প্ৰদায়বোৰে পঞ্চায়ত আৰু ব্লকৰ বিষয়া-কৰ্মচাৰীক কল খেতিত সহায় কৰিবলৈ আগবাঢ়ি আহিছিল।



৭১ পুব-ভেকেলি গাঁৱ পঞ্চায়তৰ অন্তৰ্গত ৰংচেপাৰা আৰু জবেপাৰা গাওঁত ১৯০ টা পৰিয়ালেৰে ৰাভা সম্প্ৰদায়েই সংখ্যা গৰিষ্ঠ। আগতে তেওঁলোকে আদ্য, ধনীয়া, তিল আদিৰ খেতি কৰিছিল নগদী শস্যৰূপে যাৰ পৰা লাভ সন্তুষ্টিদায়ক নাছিল আৰু সেইবাবে আন ঋতুকালীন খেতি কৰিবলৈ বাধ্য হৈছিল।

সেই অনুসৰি আত্মসহায়ক গোটৰ যোগেদি কলৰ খেতিৰ ববে গাঁও সভাত নিৰ্ধাৰিতআঁচনি গ্ৰহণ কৰা হৈছিল আৰু কৃষি বিভাগৰ কাৰিকৰী সমৰ্থনেৰে অভিলাষী লক্ষ্যৰ পিনে আগবঢ়া হৈছিল। কলৰ খেতিৰ প্ৰসাৰৰ বাবে মুঠ ৫ টা আত্ম সহায়ক গোটক চুড়ান্ত বাছনি কৰা হৈছিল। আত্ম সহায়ক গোটবোৰে আনুষ্ঠানিক লীজ চুক্তিত বিঘাই প্ৰতি ৬০০.০০ টকাকৈ ৫ বছৰৰ বাবে লীজ (স্থানীয়ভাবে চুকিমিয়া বুলি জনাজাত)ত লৈছিল। এনৰেগাৰ শস্য চিকনুৱা, ভূমি উন্নয়ন, জেওৰা দিয়া ইত্যাদি কাম কৰে। কল খেতিৰ বাবে উপযোগী আৰু সামগ্ৰী ব্যয়ৰ অন্তৰ্গত সাৰকে ধৰি কল ৰোপণ সামগ্ৰী যোগাৰ কৰে। কৃষি বিভাগে পঞ্চায়তৰ দ্বাৰা পৰিশোধ হোৱা সাৰ আৰু গুনগত মানৰ কল গছ পুলিৰ ব্যৱস্থা কৰে। কেৱল মালভোগ আৰু চেনিচম্পা এই দুই প্ৰকাৰৰ কলৰহে খেতি কৰা হয়। বিভিন্ন ঋতুত এথোক মালভোগ কল ২৫০ টকাৰ পৰা ৫০০ টকাত বিক্ৰী কৰা হয়। আনহাতে চেনিচম্পা এথোকত১৫০ টকাৰ পৰা ২০০ টকাকৈ বিক্ৰী কৰা হয়। একেদৰে এডাল মালভোগ কলপুলি ১৫ টকা আৰু চেনি চম্পা কলৰ পুলিয়ে প্ৰতি ১০ টকাত বিক্ৰী কৰা হয়। কল ফুল প্ৰতিটোত ৫ টকাৰ পৰা ১০ টকাত বিক্ৰী কৰা হয়।

দলীয় সদস্যৰ দ্বাৰা কলৰ পামৰ তদাৰক কৰা হয়। কল কিনিবলৈ বেপাৰীসকল গুৱাহাটী আৰু স্থানীয় অঞ্চলৰ পৰা আহে। দেয় ধন গোটক নগদৰূপত দিয়া হয় যিয়ে সুকীয়া বেংক একাউণ্ট তদাৰক কৰে।



আত্ম সহায়ক গোটৰ চলিত ১ ১/২ বছৰীয়া কলগছ পামৰ ব্যয় আৰু লাভৰ খতিয়ান

| ক্ৰমিক নং | আত্ম সহায়ক গোটৰ নাম | মজুৰি ব্যয় | সামগ্ৰী ব্যয় | মুঠ কলগছ ৰোপন | পাম ভূমি | চলিত আয় | বিক্ৰীৰ হাৰ |
|---|---|---|---|---|---|---|---|
| ১. | অন্তৰংগ | ৪৯৯২০.০০ | ৭৪০৮০.০০ | ২৭৫০ | ১.১০ হেঃ | ৮৩০০০.০০ | ৩০ % |
| ২. | মিলিজুলি | ৪৯৯২০.০০ | ৭৪০৮০.০০ | ২৭৫০ | ১.১০ হেঃ | ৫০০০০.০০ | ২০ % |
| ৩. | প্ৰগতিশীল | ৪৯৯২০.০০ | ৭৪০৮০.০০ | ২৭৫০ | ১.১০ হেঃ | ২৫০০০.০০ | ১০ % |
| ৪. | সেউজী | ৪৯৯২০.০০ | ৭৪০৮০.০০ | ২৭৫০ | ১.১০ হেঃ | ৩০০০০.০০ | ১৫ % |
| ৫. | জবেপাৰা শস্য | ৪৯৯২০.০০ | ৭৪০৮০.০০ | ২৭৫০ | ১.১০ হেঃ | ২৫০০০.০০ | ১০ % |
| ৬. | ওজাগড় | ৪৯৯২০.০০ | ৭৪০৮০.০০ | ২৭৫০ | ১.১০ হেঃ | ১১৫০০০.০০ | ৯০ % |
| ৭. | কেছিউনাট গ্ৰ'ৱাৰ চ'ছাইটি | ৪৯৯২০.০০ | ৭৪০৮০.০০ | ২৭৫০ | ১.১০ হেঃ | ২৫০০০.০০ | ১০ % |
| ৮. | কুঁৱলী | ৪৯৯২০.০০ | ৭৪০৮০.০০ | ২৭৫০ | ১.১০ হেঃ | ৫০০০.০০ | ৩ % |

| | |
|---|---|
| নিয়োজিত মুঠ জব কাৰ্ড ধাৰী | ১২০ জন |
| মুঠ দৈনন্দিন জনমজুৰি | ৩০৭২ জন |
| ৰূপায়ণৰ ম্যাদ | ২০১১-১২ |
| জুলাই'ৰ লৈকে মুঠ আয় | ৩.৫৮ লাখ |
| কল বিক্ৰীৰ গড় হাৰ | ২৩.৫ |


"আত্ম সহায়ক গোট অনুসৰি, গোটৰ দ্বাৰা উপাৰ্জিত আয় আৰু সঞ্চয় বৃদ্ধিক হাৰ, ল'ৰা-ছোৱালীৰ শিক্ষা, বেমাৰ আৰু প্ৰসৱৰ দৰে স্বাস্থ্য সমস্যাৰ দৰৱ পাতি"

এখন প্রতিশীল গাঁও পঞ্চায়তৰূপে জ্বজ্ঞং ভেকেলি গাঁও পঞ্চায়তঃ চজ্ঞৰৰ চনৰ লোক পিয়ল মতে বকো উন্নয়ন খণ্ডৰ অন্তৰ্গত পশ্চিম ভেকেলি গাঁও পঞ্চায়তৰ জ্জ্ব খন ৰাজহ গাঁৱৰ ৰজ্মজ্ঞজ্ঞজ্ঞ জনসংখ্যা।৲জ্মজ্জ্ব.ছ হেক্টৰ মাটি কালিৰ জিপিখনত ৰছজ্ঞজ্ঞ পৰিয়াল (চজ্ঞৰজ্ঞ ভোটাৰ তালিক) মতে) আছে।



আন্তঃগাথনি, প্ৰতিষ্ঠান আৰু হিতাধিকাৰীৰ তথ্য আৰু মানচিত্ৰৰে সৈতে গাঁও পঞ্চায়তৰ প্ৰ'ফাইলঃ

| ক্ৰমিক নং | আন্তঃ গাথঁনি /প্ৰতিষ্ঠান | মুঠ সংখ্যা |
|---|---|---|
| ১. | ৰাজহ গাঁও | ৮ |
| চ. | উচ্চ বিদ্যালয় | ২ |
| ৲. | মধ্য ইংৰাজী বিদ্যালয় | ৪ |
| চ্ছ্ৰ. | নিম্ন প্ৰাথমিক বিদ্যালয় | ১৭ |
| প্ত. | অংগনাবাড়ী কেন্দ্ৰ | ১৯ |
| ছ. | ভেটেনাৰী এ আই কেন্দ্ৰ | ১ |
| জ্জ | উপ- স্বাস্থ্য কেন্দ্ৰ | ২ |
| জ্জ্ব. | বৃদ্ধ পেঞ্চন | ২৬২ |
| জ্ম. | বিপিএল পৰিয়াল | জ্জ্মজ্জ্ব |
| ৰজ্ঞ. | মুখ্যমন্ত্ৰীৰ অন্নসুৰক্ষা যোজনা হিতাধিকাৰী | প্তজ্ঞজ্জ্ব |
| ৰৰ. | আত্ম সহায়ক গোট | জ্জ্ব |
| ৰচ. | ইন্দিৰা আবাস যোজনা হিতাধিকাৰী (চজ্ঞজ্ঞজ্ম-ৰচ) | চ্ছ্ৰজ্ঞছ |
| ৰ্ব. | ৰাষ্ট্ৰীয় পৰিয়াল ভাট্টা আচঁনি হিতাধিকাৰী | চজ্ঞ |
| ৰচ্ছ্ৰ. | ৰন্ধনজ্যোতি হিতাধিকাৰী | প্ত |
| ৰপ্ত. | মুঠ জব কাৰ্ড ধাৰী | ৰজ্ঞজ্ম |
| ৰছ. | পৰিয়াল ভিত্তিক নিয়োগ | প্তচ্ছ |
| ৰজ্জ | নাৰী সহকৰ্মী | চ |





৭৩ নং পশ্চিম ভেকেলি গাঁও পঞ্চায়তখনে এখন উচ্চাভিলাসী প্ৰতিশ্ৰুতিসম্পন্ন প্ৰগতিশীল জিপিৰূপে স্থান দখল কৰিছে। এনৰেগাৰ অধীনত দৃষ্টিনন্দন গঢ়েৰে ৰাজীৱ গান্ধী সেৱা কেন্দ্ৰৰ (RGSK) নৱ নিৰ্মিত ভৱনে নিজে অতি শান্তিপূৰ্ণ আৰু নিৰুদ্বেগ পৰিৱেশলৈ আদৰনি জনায়। ৰাজীৱ গান্ধী সেৱা কেন্দ্ৰটো ২০১০-১১ বিত্তীয় বৰ্ষত ৯,৬৬,৭০০.০০ টকা বাজেটেৰে তিনিটা কোঠা, মুকলি ঠাই সম্পন্ন বাৰান্দা সভা পৰিচালনাৰ বাবে ১ টা সৰু সামগ্ৰী ৰখা কোঠা আৰু ছটা শৌচাগাৰ (পুৰুষ আৰু মহিলাৰ বাবে পৃথক)। জিপিৰ নিজস্ব পুঁজিৰ সহায়তজিপি কাৰ্যলয়ৰ বৈদতিকীকৰণ।

৮ ৱাৰ্ড সদস্যসহ মহিলা সভাপতিৰ নেতৃত্বত জিপিখন গঠিত। ইয়াত গাঁও পঞ্চায়ত সম্পাদক, গাঁও ৰোজগাৰ সহায়ক (এনৰেগা), কৰ সংগ্ৰাহক আৰু চকীদাৰ নামেৰে ৪ পযায়ৰ বিষয়া থাকে। গাঁও পঞ্চায়তৰ পুঁজি ৪০ % বজাৰ শ্বেয়াৰ (যেনে, বছৰে প্ৰতি ৮০০০০.০০ টকা) আৰু কৰ সংগ্ৰহ (প্ৰতি বছৰে ৬০০০.০০ টকা)। জিপিৰ নিজৰ পুঁজিৰ বেছিখিনিয়ে জিপি সভাপতি আৰু আন সদস্যৰ পাৰিশ্ৰমিকৰ উপৰি ব্যয় হয় কাৰ্যালয় তত্বাৱধান আৰু ৰচিদ পাতি, আভ্যন্তৰীণ হিচাপ গণনা ইত্যাদিত। জিপিয়ে এবছৰত কমেও ২/৩ বাৰ সামাজিক গণনা পৰিচালনা কৰে। জিপিৰ পৰিসৰৰ সৈতে সংলগ্ন কৰা হৈছে নতুনকৈ সৃষ্টি হোৱা উদ্যান শস্য পাম।

পামখনে থলুৱা বাঁহেৰে তৈয়াৰী জেওৰাৰে আবৃত কৃষি উপযোগী ৭.৫ বিঘা মাটি আগুৰি আছে। পামখনে ২০১২-১৩ বৰ্ষত এনৰেগাৰ অধীনত ১৫০০০০.০০ টকাৰ মুঠ বাজেটেৰে এখন আঁচনিৰ উদ্যোগ লৈছে যাৰ ৭৯৫৬০ টকাৰ মজুৰি ব্যয় আৰু ৭০৪৪০ টকা সামগ্ৰী ব্যয়। কামটোত মুঠ ২০ গৰাকী জব কাৰ্ডধাৰীক ভূমি উন্নয়ন, বীজ ক্ৰয় আৰু বাহঁৰ জেওৰা, বীজ ভূমি প্ৰস্তুতি, অপতৃণ আঁতৰোৱা, চালিৰ কাপোৰ ক্ৰয়ৰ দৰে কৰ্ম তদাৰক কৰোৱা হয়। পামত বিভিন্ন গছ পুলি পোৱা যায়।

| ক্ৰমিক নং | গছপুলিৰ নাম | সংখ্যা |
|---|---|---|
| ১. | কল | ১৫০ |
| ২. | নেমু | ২৫০ |
| ৩. | মধুৰি আম | ৩০০০ |
| ৪. | অমিতা | ৩০০০ |
| ৫. | কলা জালুক | ১০০০ |
| ৬. | জলফাই | ১০০০০ |
| ৭. | তামোল | ১৭ |
| ৮. | জামু (ক'লা) | ৮ |
| ৯. | চেগুন | ১৫ |
| ১০. | অসম নেমু | ১০০০ |



*(জালুক আৰু নেমু পুলিৰ বাগিচা)*



**৭৬ নং** দক্ষিন-পশ্চিম লুকী গাঁও পঞ্চায়তত চোম বাগান নাৰ্ছাৰী ঃ এই গাঁও পঞ্চায়তৰ অন্তৰ্গত ভকতপাৰাৰ পামত মুগা পাট উন্নয়ন প্ৰকল্পৰ (MSDP) উন্নয়নৰ দিশত ২০১২ চনত বকো উন্নয়ন খণ্ড কাৰ্যালয়ে ৰেছম বিভাগৰ বিষয়াকৰ্মচাৰীৰ সৈতে একেলগে কাম কৰিবলৈ আগবাঢ়ে। এম এচ ডি পি য়ে চোম নাৰ্ছাৰী আৰু নাৰ্ছাৰীৰ বাবে বীজ উৎপাদনৰ বাগিছাৰো ব্যৱস্থা কৰে।

সেই অনুসৰি ২০১২-১৩ বৰ্ষত ৰেছম বিভাগৰ পৰা লাভ কৰা কাৰিকৰী পৰামৰ্শৰে চোম বাগিছা প্ৰসাৰৰ আঁচনি প্ৰস্তুত কৰা হয় আৰু গাঁও সভাত অনুমোদন কৰোৱা হয়। আঁচনিখনৰ বাবে অনুমোদিত মুঠ ব্যয় ৬ লাখ টকাৰ ভিতৰত ৩৬৪৬১৬.০০ টকা মঞ্জুৰি ব্যয় আৰু ১৩৫৩৮৪.০০ টকা প্ৰয়োজনীয় সামগ্ৰী ব্যয়। আঁচনিখনত ৯৮ গৰাকী মহিলাৰে সৈতে ১২২ টা পৰিয়ালৰ অংশ গ্ৰহণেৰে ৬৫ দিন মজুৰি সৃষ্টি হৈছিল।



এনৰেগাই ভূমি উন্নয়ন, গুটি বাগিছা প্ৰস্তুতিকৰণ, পলিবেগ নিৰ্মাণ আৰু বালি, মাটি, তথা গোবৰ যুক্ত পলিবেগ প্ৰস্তুতকৰণ, থলুৱা বাঁহেৰে চালি নিৰ্মাণ, দীৰ্ঘস্থায়ী কৰণৰ বাবে বাঁহত ৰং দিয়া, বীজ সংগ্ৰহ, বীজ সিঁচা, অপতৃণ পৰিস্কাৰ, আন প্ৰাথমিক পৰ্যায়ৰ সময়সাপেক্ষে তদাৰক আৰু গছপুলি ৰোপণ ইত্যাদি কাম সামৰি লয়।

সামগ্ৰী খৰছৰ ভিতৰত পলিমোনা, গোবৰ, মাটি, কীটানুনাশক দ্ৰব্য, ভিটামিন, ছাই, বাঁহ, ৰং , মৰাপাট থৈলা, কিছুমান ক্ষুদ্ৰ সঁজুলি ইত্যাদিক সামৰে । দুখন আঁচনি ৰ অধীনত নাৰ্ছৰীত মুঠ ৫০০০.০০ গছ পুলি ডাঙৰ কৰা হৈছিল আৰু ২ হেঃ মাটিত প্ৰায় ২০০০ চোম গছপুলি ৰোপণ কৰা হৈছিল।

*(৪ মহীয়া চোম গছপুলি পৃথকে ৰোপন কৰা হৈছিল আৰু সাধাৰণতে ৰোপণ ৰ ৩ বা ৪ বছৰৰ ভিতৰত পৈণত হৈছিল। চোম গছ মুগা পলু লালন-পালন কৰাত ব্যৱহাৰ কৰা হয়, যিয়ে পৃথিৱীৰ বিখ্যাত মুগা পাট উৎপন্ন কৰে। ই সোণালী সুতাৰূপেও জনপ্ৰিয়। ই ভৌগলিক পৰিচয়সহ চহকী অসমীয়া সংস্কৃতিৰ বস্ত্ৰৰূপেও স্বীকৃত ।)*



চোম উদ্যান নাৰ্ছাৰীয়ে ইতিমধ্যে দৰং, নলবাৰী, গোৱালপাৰা, কামৰূপ (গ্ৰাম্য) মৰিগাঁও জিলাৰ ৰেছম বিভাগক গছপুলিয়ে প্ৰতি ১.৫০ টকা চৰকাৰী মূল্যত প্ৰায় ৪১০০০ গছপুলি বিক্ৰী কৰি ইতিমধ্যে বজাৰত প্ৰভাৱ বিস্তাৰ কৰিছে। তদুপৰি বকো ৰেছম কাৰ্যালয়েও অতিৰিক্ত ৬০০০ গছপুলি যোগানৰ বাবে অনুৰোধ জনাইছে।

এনৰেগা, ডি ডি পি, এপি ফাণ্ড আৰু তৃতীয় বিত্তীয় আয়োগ মঞ্জুৰীৰ সহযোগিতাত প্ৰতিষ্ঠিত বকো গান্ধী ময়দান পথাৰ সদায়ে খেল-ধেমালি আৰু সামাজিক-ৰাজনৈতিক কাৰ্যসূচীৰ বাবে আকৰ্ষণীয় স্থল হৈ আছে। বকো কলেজৰ সৈতে সংলগ্ন এই পথাৰখন অৱস্থিতিৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ। সি যি নহওক, বাৰিষা বতৰত ধাৰাষাৰ বৰষুণৰ ফলত পানী জমা হৈ গোটেই ময়দানখন বৰষুণৰ পানীত ডুব যায় । আনকি বকো নগৰৰ পৰা বৈ যোৱা পানীয়েও পথাৰখন জলময় কৰে। অনিশ্চয়তা ভৰা বতৰত বাৰিষা কালছোৱাত অনুষ্ঠান অনুষ্ঠিত কৰাটো সদায়ে কঠিন হৈ পৰে। নিত্য -নৈমিত্তিক বাধাৰ বিশ্লেষণ কৰি ধনাত্মক দিশতে ময়দানখন ভৱিষ্যত ব্যৱহাৰ যোগ্য কৰিবলৈ কেইটামান পদক্ষেপ তাৰ সাম্ভাব্য সমাধান হ'ব পাৰে। সেইমতে, ২০১০-১১ বৰ্ষৰ তৃতীয় বিত্তীয় আয়োগ মঞ্জুৰীৰ অধীনত ৩২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ক্ৰীড়া পেভিলিয়নলৈ আৰু ক্ৰীড়া পেভিলিয়ন ৰ পৰা গড়কাপ্তানি কাৰ্যালয়লৈ পয়ঃ প্ৰনালী (drainage) নিৰ্মাণৰ বাবে ১৪৬৯৯৭০ টকা ধাৰ্য কৰি দুখন আঁচনি প্ৰস্তুত কৰা হৈছিল।



পয়ঃ প্ৰনালী নিৰ্মাণৰ ফলত গড়কাপ্তানি কাৰ্যালয় সংলগ্ন নলী-নাদেৰে বৰষুণৰ পানী বৈ যোৱাৰ কেবাটাও পথ সৃষ্টি হৈছে। জল পৰনৰ পৰা দ ভূমিৰ পথাৰক ৰক্ষা কৰিবলৈ, ২০১০-১২ বৰ্ষত,

২৯৭৯০০.০০ টকাৰ এক আঁচনিৰ যোগেদি এনৰেগাৰ অধীনত ভুমি উন্নয়ন সাধন কৰা হৈছে। ২৬৮৫৫৪.০০ টকা মঞ্জুৰি ব্যয় আৰু ২৯৪৫৪.০০ টকা সামগ্ৰী সম্পৰ্কীয় ব্যয়েৰে বাজেটখন বিতৰণ কৰা হৈছে। মাটি পূৰ কৰা আৰু পথাৰ ওখ কৰাৰ ফলত বৰষুণৰ পানী পথাৰলৈ যোৱা বন্ধ হৈ নলী- নাদলৈ গুছি গৈছে আৰু পথাৰ পবিত হোৱাৰ পৰা ৰক্ষা পৰিছে।

একেদৰে ডি ডি পি আৰু এপি পুঁজিৰ অধীনত খেলপথাৰৰ (কুঁৱৰী পথাৰ) চুকত একোটাকৈ মুকলি মঞ্চ নিৰ্মাণ কৰা হৈছিল প্ৰতিটোৰ নিৰ্মাণ ব্যয় ৫ লাখকৈ ১০,০০০০.০০ ধাৰ্য কৰা ধনেৰে। ৪৫ বৰ্গ ফুট দৈৰ্ঘৰ আৰু ৩৫ বৰ্গফুট প্ৰস্থৰ কুৱৰী মঞ্চ প্ৰয়াত ড° ভূপেন হাজৰিকাৰ সোঁৰৰনত উৎছৰ্গা কৰা হৈছিল। কুঁৱৰী মঞ্চৰ লগত সংলগ্ন এটা অতিৰিক্ত গ্ৰীণ ৰুম আৰু প্ৰসাৰগাৰৰ সুবিধাও আছে। মঞ্চটো কুঁৱৰী কমিটী নামৰে এখন লোকেল কমিটীয়ে তদাৰক কৰে।

মঞ্চৰ নিৰ্মাণে সমগ্ৰ বকোতে ধনাত্মক প্ৰভাব সৃষ্টি কৰিছে য'ত সকলো অনুষ্ঠান, উৎসৱ, ৰাজনৈতিক আৰু সামাজিক সভা ইত্যাদি অনুষ্ঠিত হয়। কুঁৱৰী মঞ্চটো কমিটীয়ে এদিনৰ বাবে ভাড়াত ল'লে ৫০০০ টকা লয়।



বকো খণ্ড উন্নয়ন বিষয়া মিঃ পংকজ চক্ৰৱৰ্তী আৰু তেওঁৰ দলে গাঁও পঞ্চায়তৰ সহযোগত এনৰেগাৰ অধীনত বহু সৃষ্টিশীল আঁচনি গ্ৰহণ কৰিছিল গাঁও সভাৰ সমৰ্থনত । এই আঁচনিসমূহে গ্ৰাম্য উন্নয়নত স্থবিৰ ছবিখনৰ পৰিবৰ্তন আনিছে। বিডিঅ'ৰ ভাষাত “এনৰেগা আঁচনিৰ অধীনত আৰু বিভাগীয় কাৰ্যসূচীৰ সহযোগিতাত এনৰেগা আঁচনিৰ নিৰৱচ্ছিন্ন ৰূপায়ণ আৰু সফলতাৰ দিশত প্ৰচুৰ সুযোগ দিছে। আমি বকোত ১৩ তম বিত্তীয় আয়োগ মঞ্জুৰী, ডি ডি পি ইত্যাদিৰ অতিৰিক্ত সহযোগিতাত উন্নতিৰ প্ৰসাৰ কৰিছো।”




*১০ নং দক্ষিণ বকো গাঁও পঞ্চায়তৰ অধীনত বৰ পাৰাত ডি ডি পি ৰ অধীনত*
*শৱ সৎকাৰ স্থলৰ নিৰ্মাণ, ৰাজহুৱা স্থলীলৈ আসন ব্যৱস্থা , শৱ সৎকাৰ ভূমিলৈ পথৰ নিৰ্মাণ।*



*এনৰেগা, আৰকেভি ৱাই আৰু এ পি ফাণ্ডৰ অধীনত অৰ্কিড, গ্ৰীণ হাউছ যুটীয়া প্ৰকল্প প্ৰতিষ্ঠা।*



এনৰেগাৰ অধীনত বকো ব্লক কাৰ্যালয় পৰিসৰত থকা উদ্যান নাৰ্ছৰী পাম পৰিসৰত পুখুৰী আৰু হাঁহ পালন কুঠৰী নিৰ্মাণ



এনৰেগাৰ অধীনত বকো ব্লক কাৰ্যালয় পৰিসৰত থকা উদ্যান নাৰ্ছৰী পাম






এনৰেগাৰ অধীনত দুখন গাঁৱক সংযোগ কৰা বকো নদীৰ ওপৰত থকা কাঠৰ দলঙৰ মেৰামতি

# প্ৰাকৃতিক পাহাৰীয়া নিজৰাৰ পানীক নলাৰে কৃষিৰ বাবে খণ্ডা খাললৈ বোৱাই নিয়া




গাঁও পঞ্চায়ত কাৰ্যালয়ৰ পৰা ৪০ কিঃ মি দূৰত্বত অৱস্থিত ডিমৰীয়া উন্নয়ন খণ্ডৰ ৫৫.নং কমাৰকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত উপাৰিকুলা গাঁওখন ধুনীয়া পাহাৰ আৰু ধাননি পথাৰেৰে ভৰা শান্ত সমাহিত ঠাই । গাঁৱৰ এটা অংশ মেঘালয়ত পাহাৰৰ সৈতে সংলগ্ন আৰু বৰ্ণিহাট নগৰাঞ্চলৰ পৰা এক সৰু জুৰিৰ দ্বাৰা পৃথক হৈছে। সোণাপুৰ বজাৰত পৰা উপাৰিকুলা গাঁৱলৈ ঠেক উপপথৰ দুয়োপাৰে যথেষ্ট সংখ্যক সেউজীয়া গছেৰে আবৰা। গাঁৱলৈ যোৱা ৰঙা মাটিৰ পথটো ওখৰা-মখৰা যদিও স্থানীয় লোকসকলে দৈনিক অসুবিধা নোহোৱাকৈ অ হা-যোৱা কৰিব পাৰে। জুৰিৰ ওপৰত এখন দলং নিৰ্মাণাধীন হৈ আছে নৰ্থ -ইষ্ট কাউন্সিলৰ (NEC) ৰ সহযোগত। আশা কৰা হৈছে এই দলংখনে উপৰিকুলা গাঁও হৈ বৰ্নিহাটৰ সৈতে সোণাপুৰক অধিক যানবাহন চলাচলেৰে সংযোগ কৰিব পাৰিব।



এনৰেগাৰ কাৰ্যকলাপে ইয়াৰ আৰম্ভনিৰ পৰাই ভিতৰুৱা গাঁও অঞ্চলত প্ৰভাৱ সৃষ্টি কৰিছে। প্ৰধানকৈ কৃষি কামেই প্ৰধান জীৱিকাৰ উপায় হোৱা বাবে এনৰেগাৰ অধীনত ৰূপায়িত কৰা বিভিন্ন আঁচনিৰ মাজত এনৰেগা কাৰ্যসূচীক লৈ যথেষ্ট পৰিমাণে সন্তুষ্টি লাভ কৰিছে। পাহাৰীয়া নিজৰাৰ পানীক নলাৰে বোৱাই আনি কৃষি খালেৰে ধাননি পথাৰলৈ আনি জলসিঞ্চনৰ উন্নত ব্যৱহাৰ কৰাটো এক ডাঙৰ সফলতা হৈ পৰিছে। ৫৫ নং কমাৰকুছি জিপিলৈ পাহাৰীয়া নিজৰাৰ পানী বোৱাই আনি খালেৰে কৃষি পথাৰলৈ যোগান ধৰা এক আঁচনি গাঁও সভাৰ কৃষক সম্প্ৰদায়ৰ দ্বাৰা অনুৰোধত প্ৰস্তুত কৰি থকা হৈছে।





NAME OF WORK :- CONSTRUCTION OF AGRI BUNDH AT ADERIKULA VILLAGE.
U/S
2.50 M
3.00 M
7.50 M
PLAN
Jr. Engineer
Dimoria Development Block

## এনৰেগাৰ সাফল্যৰ কাহিনী

### *উন্নয়ন খণ্ড ঃ গৌৰীসাগৰ গাঁওপঞ্চায়ত ঃ মোমাই তামুলী*
জিলা গ্ৰামোন্নয়ন অভিকৰণ, শিৱসাগৰ


**৬ *মাৰ্চ,* ২০১৪ ঃ** মহেন্দ্ৰ দুৱৰা হৈছে চাৰিং দুৱৰা পাৰ গাঁৱৰ বাসিন্দা। তেওঁ এক এৰাবাৰীৰ বাসিন্দা। তেওঁৰ আৰ্থিক অৱস্থা ভাল নহয়। কিন্তু তেওঁ কঠোৰ পৰিশ্ৰম কৰিবপৰা ব্যক্তি, কিন্তু বিত্তীয় অসমৰ্থতাৰ বাবে তেওঁ বিভিন্ন আৰ্থিক কাৰ্যকলাপৰ যোগেদি উপাৰ্জন বঢ়াব পৰা নাই।

সাধাৰণ কৃষক হ'লেও কিন্তু তেওঁ শিক্ষিত। গাঁও পঞ্চায়তে সঠিকভাৱে তেওঁক ২০১২-১৩ বৰ্ষত এনৰেগা আঁচনিৰ অধীনত একক ভাৱে হিতাধিকাৰীৰূপে নিৰ্বাচন কৰিছে।

সি সততাৰে জব কাৰ্ড ধাৰীৰ যোগেদি এটা পুখুৰীৰ গৰাকী হৈছে আৰু তেঁওৰ সৃষ্টিশীল মনেৰে পুখুৰীৰ পাৰত গছ ৰোপণ আৰম্ভ কৰিছে। পুখুৰীৰ ওপৰত হাঁহ পাম আৰম্ভ কৰিছে আৰু যি ভূমি এসময়ত উপাৰ্জনহীন অনুৰ্বৰ ভূমি আছিল, এতিয়া মৎস্য পালন, হাঁহপালন আৰু কল, ফলমূল ৰোপণৰ যোগেদি বহুমুখী উপাৰ্জনৰ বৃদ্ধি কৰিছে।

তেওঁ উপাৰ্জন ক্ৰমাগত ভাৱে বৃদ্ধি হৈছে আৰু তেওঁ বেংক আৰু আন বিভাগৰ সৈতে সহযোগিতাৰ পৰিকল্পনা কৰিছে উদ্যমীতাৰ কাৰ্যকলাপৰ অধীনত উপাৰ্জন বৃদ্ধি কৰি আৰ্থিকভাৱে সচ্চল পৰিয়ালত পৰিণত হ'বলৈ চেষ্টা কৰিছে।

এনৰেগা কাৰ্যসূচীৰ যোগেদি এগৰাকী শিক্ষিত যুৱকে দাৰিদ্ৰতাৰ পৰা মুক্ত হ'ব পাৰে যাতে নিজৰ উপাৰ্জন বঢ়াবলৈ নিজৰ সহায় কৰিব পাৰে আৰু লগতে এনৰেগা কাৰ্যসূচীৰে অঞ্চলৰ আন বনুৱাৰ শ্ৰমদিন সৃষ্টি কৰাত সহায় কৰে।

পুখুৰী পাম খননৰ মুহূৰ্ত

মহেন্দ্ৰ দুৱৰা চৌহদৰ পুখুৰীৰ পাম, মোমাই তামুলী গাঁওপঞ্চায়ত ঃ গৌৰীসাগৰৰ উন্নয়ন খণ্ড
নিৰ্ধাৰিত ধন ৭১০৪২.০০ টকা।

# ইন্দিৰা আবাস যোজনা (আই এ ৱাই)

## দুখীয়া আৰু দুৰ্বল শ্ৰেণীৰ হাতত স্বপ্ন গৃহ

### উত্তৰ পূৰ্বাঞ্চলতেই সৰ্বপ্ৰথম-আই ওৱাই আবাস (কলনী)




ইন্দিৰা আবাস যোজনা ৰূপায়ণৰ বহুমাত্ৰিক ফল আৰু প্ৰভাৱৰ পাছত বকো উন্নয়ন খণ্ডই একক আৰু প্ৰয়োজন নিৰ্ভৰ নীতি পুনৰুজীৱিত কৰে য'ত গাঁও পঞ্চায়ত আৰু গাঁওবাসীৰ সহযোগত স্বপ্ন দ্ৰষ্টা বিডিঅ'ৰ নেতৃত্বত ব্লক কাৰ্যালয়ৰ কাৰ্যপালিকাই কামৰূপ (গ্ৰাম্য জিলা) ৰ বকো ব্লকৰ অন্তৰ্গত ৬৯ নং দক্ষিন-পশ্চিম বকোৰ আই এ ওৱাই হিতাধিকাৰীসকলৰ এক আবাসিক অঞ্চল প্ৰতিষ্ঠা কৰে।

৬৭ বছৰীয়া সীতা হাজঙে তেওঁৰ মা-দেউতা আৰু মাতৃ গৃহ সম্পৰ্কে নিজৰ ভাষাত এইদৰে কয়, "আই এ ৱাই হিতাধিকাৰী হাজং সম্প্ৰদায়ৰ লোকসকল ১৯৬২ চনত পূব পাকিস্থানৰ পৰা ওলাই আহি জন্ম হোৱা বাংলাদেশৰ পৰা আহি অসমত নিগাজীকৈ থাকিবলৈ লয়।

অসমত হাজং সম্প্ৰাদয়ৰ লোকসকলৰ পূব-পাকিস্তানৰ মৈমনসিং হিন্দু আছিল যিসকলে জৰুৰীকালীন শাসন অৱস্থাত দুৰ্বল আইন-শৃংখলাজনিত পৰিস্থিতিত পাকিস্তানী মুছলিমৰ আতিশয্যৰ সম্মুখীন হৈছিল। জৰুৰীকালীন শাসন অৱস্থাত দুৰ্বল আইন-শৃংখলাজানিত পৰিস্থিতিত পাকিস্তানী মুছলিমৰ আতিশয্যৰ সন্মুখীন হৈছিল। জৰুৰীকালীন সময়ত জীৱনৰ সুৰক্ষাৰ অভাৱত আতংকিত হৈ গণতান্ত্ৰিক ভাৰতত থিতাপি লোৱাৰ হাবিয়াসত বহু হাজঙে ভাৰতলৈ প্ৰব্ৰজন কৰিছিল আৰু অসম ৰাজ্যৰ বিভিন্ন অঞ্চলত থিতাপি লৈছিল। আনকি এতিয়া অসমত নিগাজীকৈ থকাৰ ৫০ বছৰতকৈ অধিক কাল সম্পূৰ্ণ হোৱাৰ পাছতো হাজংসকল এতিয়াও জনজাতি বৈশিষ্ট্য আৰু শান্তিপূৰ্ণ জীৱন যাত্ৰাৰে সংখ্যালঘু হিন্দু সম্প্ৰদায় ৰূপে জনাজাত হৈ আছে।



আই এ ৱাই আবাসীসকল পূৰ্বে বৰপাৰা স্থানীয় বজাৰৰ ওচৰত চৰকাৰী মাটি দখল কৰি অতি জৰাজীৰ্ণ অৱস্থাৰ ঘৰত বৰষুণ, ধুমুহা, বতাহ, চুৰি ইত্যিাদিৰ পৰা নিৰাপত্তা আৰু সুৰক্ষাহীন পৰিস্থিতিত বাস কৰি আছিল। তেওঁলেকৰ কোনো কৃষিভূমি নাছিল আৰু বেছিভাগেই দৈনিক মজুৰিত কাম কৰিছিল। আই এ ৱাই ক'লনীত থকা ২৮ টা বিপিএল পৰিয়ালৰ মাজৰ আনকি এজনো চৰকাৰী কৰ্মচাৰী নাছিল।

কোনো ছোৱালীয়ে মেট্ৰিক পাছ কৰি পোৱা নাছিল (অৰ্থাৎ সকলো মেট্ৰিকৰ তলৰ)। একমাত্ৰ এজন ল'ৰাই বকো মহাবিদ্যালয়ত পঢ়ি আছিল আৰু দশম শ্ৰেণীলৈকে পঢ়া ল'ৰাই বেছি আছিল।



সম্প্ৰদায়ৰ মাজত আছে বাল্য বিবাহ অতি ব্যাপক। মাক-দেউতাকসকলে জীয়েকসকলক স্কুলৰ পৰা উলিয়াই আনি যিমান পাৰি সোনকালে বিয়া দিব বিচাৰিছিল। দাৰিদ্ৰ্যতা আৰু নিৰক্ষৰতা অভিভাবকসলৰ এনে ভূমিকাৰ মূল কাৰক।

সেইদৰে স্কুল ত্যাগ কৰা বেছিভাগ ল'ৰাই কৰ্ণাটক আৰু তামিলনাডুৰ দৰে দক্ষিণ ভাৰতীয় ৰাজ্যলৈ কামৰ বাবে গুচি যায়। তেওঁলোকে বছৰত এবাৰ ঘৰলৈ আহে। তেওঁলোকৰ বেছিভাগেই নিৰপত্তাৰক্ষীৰ সেৱাত, ৰখীয়া, কাৰখানা কৰ্মী, ৰেস্তোঁৰা কৰ্মচাৰী ইত্যাদি সেৱাত নিয়োজিত হয়।

বিডিঅ' আৰু গাঁও পঞ্চায়ত সদস্যৰ উদ্যোগত আই এ ৱাই কৰ্মসূচীৰ অধীনত এই দাৰিদ্ৰ্য সীমাৰেখা তলৰ পৰিয়ালক এটি মৰ্যদাপূৰ্ণ ঘৰ প্ৰদাণ কৰি স্থায়ী বাসস্থানৰ ব্যৱস্থা কৰিবলৈ চৰকাৰী মাটিত দুটা অংশত আবাসিক ক'লনী প্ৰতিষ্ঠা কৰা হৈছিল। হিতাধিকাৰীসকলক ১ কঠা ৬ লেছাৰ মাটি পট্টা মঞ্জুৰ কৰা হৈছিল আৰু আই এ ৱাই গৃহ মঞ্জুৰী তালিকাত তালিকাভুক্ত কৰা হৈছিল। সকলো হিতাধিকাৰীয়ে আশ্ৰয়গৃহ আৰু সম্পূৰ্ণ অনাময় আঁচনিৰ অধীনত ভৰ্তুকীযুক্ত শৌচালয় নিৰ্মাণৰ বাবে তিনিটা কিস্তীত ৮৫০০০.০০ টকা গ্ৰহণ কৰিছিল।



এনৰেগাৰ অধীনত একে পৰিয়ালৰ আই এ ৱাই গৃহবোৰ নিৰ্মাণৰ বাবে ভূমি উন্নয়নো কৰা হৈছিল। RKVY, SGSY, TFC, AP ফাণ্ড, RGVY আদি আঁচনিক একেলগ কৰিবলৈ যৎপৰোনাস্তি আৰু বলিষ্ঠ প্ৰয়াস কৰা হৈছিল। আই এ ৱাই আশ্ৰয়গৃহ নিৰ্মাণৰ বাবে মুঠ ১০.৯৮ লাখ ধন নিয়োগ কৰা হৈছিল।

# আই এ ৱাই য়ে মোক সুৰক্ষা আৰু মৰ্যদা দিছেঃ ৰানু দেৱী

৪০ বছৰতকৈ অধিক বয়সৰ অবিবাহিত আৰু তাইৰ বিধৱা মাকৰ সৈতে বাস কৰা ৰাণু দেবীক কোনো দৰ্শনাৰ্থীয়ে চাবলৈ নাযায় আৰু আই এ ৱাই গৃহৰ সুফলে তাইৰ মনত গৌৰৱবোধ জন্মায়। ৰাণু দেবীয়ে তাইৰ ভাতৃ আৰু মাতৃৰ সৈতে জৰাজীৰ্ণ খেৰী ঘৰত থাকে য'ত সকলোৱে থাকিব পৰাকৈ যথেষ্ট ঠাই নাই। তাইৰ ভাতৃৰ বিয়াৰ পাছত এটা সৰু খেৰী ঘৰত বাস কৰে, যি সাংস্কৃতিক ভাবে অসমৰ বাসস্থানশৈলীৰ লগত নিমিলে আৰু আৰামদায়কো নহয়।

এয়া আছিল ২০০৫ চনৰ কথা। তাই শোনিতপুৰ জিলাৰ গাভৰু ব্লকৰ অধীনত বেছেৰীয়া গাঁও পঞ্চায়তত তাইৰ বি পি এল পৰিচয়েৰে এটা ঘৰৰ বাবে আই এ ৱাই কৰ্মসূচীৰ অধীনত প্ৰস্তাৱ দিলে। ২০১১-১২ বৰ্ষত তাই তিনিটা কিস্তীত ৪৮৫০০.০০ টকাৰ বিত্তীয় মঞ্জুৰীৰে এটা আই এ ৱাই গৃহ মঞ্জুৰী পালে। ।গাভৰু ব্লকৰ কনিষ্ঠ অভিযন্তাৰ পৰা নিয়মীয়া কাৰিকৰী পৰামৰ্শৰে তাই ঘৰটোৰ নিৰ্মাণত নিজে তদাৰক কৰিছিল ।তাই আনকি তাইৰ ঘৰৰে সৈতে এটা টি এছ চি শৌচালয়ো নিৰ্মাণ কৰিছিল।



ৰাণুৱে ৫০০০.০০ টকা ওচৰ-চুবুৰীয়াৰ পৰা ধাৰে লৈছিল ঘৰটোৰ নিৰ্মাণন সম্পূৰ্ণ কৰোঁতে প্ৰয়োজনীয় খৰছৰ জোৰা মাৰিবলৈ। তাই বোৱা-কটা কৰি জীৱিকা আৰ্জন কৰিছিল আৰু ধাৰে লোৱা টকা ওভতাই দিছিল। তাই আৰু তাইৰ মাকে দৰ্শনাৰ্থীক তেওঁলোকৰ ঘৰ দেখুৱাইছিল আৰু ভৱিষ্যতলৈ পৰ্যায়ক্ৰমে উন্নত মানদণ্ডৰ ঘৰ নিৰ্মাণ কৰাৰ সপোন দেখিছিল । যেতিয়া তাইক আই এ ৱাই ঘৰ সম্পৰ্কে তাইৰ অনুভূতিৰ কথা সোধা হৈছিল তাই বৰ নম্ৰভাবে আৰু মাৰ্জিত ভাৱে মনৰ ভাব প্ৰকাশ কৰি কৈছিল, *"সৰু খেৰীঘৰ এটাত এগৰাকী অবিবাহিতা তিৰোতা আৰু এগৰাকী বিধৱা তিৰোতাই কাম কৰাৰ যাতনা আপুনি বুজি পাব। এতিয়া ইটাৰে নিৰ্মিত আমাৰ ঘৰত আমি নিৰাপদে থাকিব পাৰো, মৰ্যদাৰে নিশা আৰু বেয়া বতৰত আমি সুৰক্ষাত গভীৰভাবে সন্তুষ্ট থাকোঁ।"*

# আই এ ৱাই গৃহই মোক সাপোন পুৰণ কৰিবলৈ সুবিধা দিলে ঃ নুৰুল ইছলাম

৩০ বছৰীয়া মোঃ নুৰুল ইছলাম আৰু ২৫ বছৰীয়া আছিয়া বেগমে নিম্ন বুনিয়াদী বিদ্যালয়ত পঢ়া এগৰাকী জীয়েকৰ সৈতে থাকে। নুৰুলে এখন হাতগাড়ী (ঠেলা) চলাই কৰা উপাৰ্জনেৰে তাৰ পৰিয়ালটোৰ ভৰণ-পোষণ কৰে। নুৰুলে মাহিলী ৫০০.০০ টকা ভাৰাত তেওঁৰ ভতিজা এগৰাকীৰ লগত এটা সংলগ্ন গৃহত ভাৰাত থাকে। সদায় সৰু-সুৰা কথাতে ঘৰৰ মালিকৰৰ আৰু তেওঁৰ পৰিয়ালৰ লগত কাজিয়া লাগিয়ে থাকে বাবে নুৰুল আৰু আছিয়াৰ বাবে ই মানসিক সমস্যা হৈ পৰিছিল।

তেওঁৰ অপাৰেশ্যনৰ পাছত নুৰুল আৰু আয়েশাই শোনিতপুৰ জিলাৰ গাভৰু ব্লকৰ স্থানীয় দোলাবাৰী গাঁও পঞ্চায়তত আই এ ৱাই আঁচনিৰ অধীনত এটা ঘৰ বিচাৰিলে। তেওঁলোকৰ নাম অপেক্ষা তালিকাত আৰু আক্ষৰিকভাবে থকা বাবে ২০১২-১৩ বৰ্ষৰ জি পিত এটা ঘৰ যোগানৰ দাবী জনালে। ২০১২-১৩ বৰ্ষত এটা আই এ ৱাই গৃহ জি পিয়ে তেওঁলোকলৈ মঞ্জুৰ কৰিলে আৰু তিনিটা কিস্তীত অনুমোদন জনালে। মঞ্জুৰীকৃত ধনৰ পৰিয়াল আছিল ৩ টা কিস্তীত (১৬০০০.০০ টকা + ২১০০০,০০ টকা + ১১,৫০০.০০ টকা)।



ফাগুটো কানাড়া বেংকত থকা তেওঁৰ প্ৰথমটো একাউন্ট যোগে তেওঁলৈ পঠিওৱা হৈছিল। নুৰুলে প্ৰথমটো কিস্তীৰ ধন টিনপাত, ভেঁটিৰ খুটা, শ্ৰমিকৰ মজুৰি আদিত খৰছ কৰিছিল । সেইদৰে ২য় আৰু,৩য় কিস্তীৰ মঞ্জুৰী কৃত ধন ৰাজ মিস্ত্ৰীৰ মজুৰি, চিমেন্টৰ খৰছ, চিজিআই শ্বিট, ৰ'ড আদিত খৰছ হৈছিল। তেওঁক তেওঁৰ সম্বন্ধীয় ডেকা ভায়েকে তেওঁৰ সামগ্ৰী কঢ়িওৱা বাহনখনেৰে গৃহ নিৰ্মাণ সামগ্ৰীসমূহ কঢ়িওৱাত সহায় কৰিছিল।

যিহেতু মঞ্জুৰীকৃত ধন নুৰুলৰ বাবে গৃহটো নিৰ্মাণৰ ক্ষেত্ৰত পৰ্যাপ্ত আছিল সেয়ে গৃহ নিৰ্মাণৰ কামত ২ বছৰৰ বাবে প্ৰতি সপ্তাহত ই এম আই (মূলধন আৰু সুতসহ) ৫৩৮.০০ টকা হাৰত বন্ধন নামেৰে মাইক্ৰ-ফাইনান্স ইন্সটিটিউশ্যন (NBFC) ৰ পৰা ধাৰে লৈছিল ২৫০০০.০০ টকা। তেওঁক স্থানীয় গাঁও পঞ্চায়তৰ দ্বাৰা গেৰান্টিসহ 'বন্ধন' ত পৰিচয় কৰাই দিয়া হৈছিল । তেওঁ

আনকি ২০০০.০০ টকা সঞ্চয়ো কৰিছিল । নুৰুলৰ গড় আয় আছিল সপ্তাহত ১৫০০.০০ টকা আৰু তেওঁ ধাৰে লোৱা টকা তেওঁৰ উপাৰ্জনৰ পৰা পৰিশোধ কৰিছিল। তাৰ উপৰি তেওঁ প্ৰায় ১,৩০,০০০.০০ টকা তেওঁৰ গৃহৰ বাবে খৰছ কৰিছিল। আৰু তৎসত্বেও এতিয়াও বহু কাম কৰিবলৈ বাকী আছে। নুৰুল আৰু আইছাই দুয়োয়ে ঘৰটো ৰং কৰিব বিচাৰে আৰু ঘৰৰ পিছফালে এটা ভাল টয়লেট যুক্ত বাথৰুম নিৰ্মাণ কৰিব বিচাৰে।



গৰ্বিত গৃহৰ গৰাকী নুৰুল আৰু আইছাক তেওঁলোকৰ গৃহৰ সন্মুখত ফটোগ্ৰাফৰ বাবে প'জ দিবলৈ কোৱা হৈছিল। যেতিয়া আই এ ৱাই ৰ দ্বাৰা নিৰক্ষৰ তথা দুখীয়া লোকৰ বাবে গৃহৰ সুবিধা দিয়া কৰ্মসূচীৰ বিষয়ে তেওঁৰ মতামত সোধা হৈছিল, নুৰুলে উত্তৰত কৈছিল, *“গোটেই দিনটো কাম কৰি যেতিয়া মই ঘৰলৈ উভতি আহো আৰু মোৰ নিজৰ পকী ঘৰত থাকিবলৈ লওঁ, তেতিয়া মোৰ আত্মসন্তুষ্টি জাগে। কেতিয়াও কোনো দিনে মোৰ নিজৰ ঘৰ হ'ব বুলি ভবা নাছিলো। সেয়াই মোৰ বাবে সন্তুষ্টি। আই এ ৱাই য়ে প্ৰদান কৰা গৃহই মোৰ সপোন পৰিপূৰ্ণ কৰিলে। মোৰ দুখৰ দিনত মোক সমৰ্থন দিয়া বাবে গাঁও পঞ্চায়তক ধন্যবাদ ।”*

## আন সকলোতকৈ আগতে আইএৱাইয়েহে প্ৰথমে সহায় কৰিবলৈ আহিছে ঃ আছমা বেগম

মুখত শেঁতা চাৰনি আৰু সাজ-পোছাকত দৈন্যতা প্ৰকট কৰি ৩৬ বছৰীয়া ইজমাইল আলিয়ে ঘৰৰ ওচৰতে কাগজৰ কাৰ্টন নিৰ্মাণ কাৰখানাত কাম কৰে। কিন্তু হঠাৎ অসুস্থ হৈ পৰা বাবে অবিৰাম কাম কৰিব পৰা নাছিল বাবে দৰিদ্ৰতাই তেওঁক বৰ বেয়াকৈ কাহিল কৰিছিল। তেওঁৰ অসুস্থতাৰ পাছত তেওঁ ভায়েকৰ দুগ্ধ পামত মাহিলী ৩০০০ টকা দৰমহাত কাম কৰে। তেওঁৰ দিহা আৰু ভাতৃসকলৰ সৈতে একেলগে আগৰ এটা ঠেক খেৰী ঘৰত পত্নী আৰু চাৰিটি সন্তানসহ থকাটো কঠিন ।

পূৰ্বৰ ঘৰটো পলিথিনেৰ ছিটেৰে আবৰা, যথেষ্ট ঠাই নথকা, দিনৰ ভাগত ৰ'দ দিলে বৰ গৰম আৰু বৰষুণৰ দিনত ফটা পলিথিনৰ ফাঁকেৰে পানী সৰকে। এনে দুখৰ দিনত ২৮ বছৰীয়া আছমা বেগমে শোনিতপুৰ জিলাৰ গাভৰু উন্নয়ন খণ্ডৰ অন্তৰ্গত দোলাবাৰী গাঁও পঞ্চায়তত তেওঁলোকৰ বি পি এল পৰিচয়পত্ৰ লৈ ঘৰৰ আবেদন জনালে আৰু তাৰফলত আই এ ৱাই কৰ্মসূচীৰ অধীনত মঞ্জুৰী পালে।



তেওঁলোকে ঘৰটো নিৰ্মাণ কৰিবলৈ ৪৮৫০০.০০ টকা লাভ কৰিলে। তেওঁলোকে 'বন্ধন' নামেৰে জনাজাত এম এফ আই (NBFC) ৰ পৰা ২০,০০০.০০ টকাও ধাৰে ল'লে আৰু প্ৰায় ১,০০,০০০.০০ টকা ভাতৃ আৰু আত্মীয় স্বজনৰ পৰা ল'লে। তেওঁলোকে তেওঁলোকৰ উপাৰ্জনৰ পৰা ধাৰ পৰিশোধ কৰিলে। আছমাইয়ো থকা ঠাইৰ ওচৰতে সৰু-সুৰা পৰ্যায়ত কাম কৰে। তাই এখন বাৰান্দা, পাকঘৰ, শৌচালয় আৰু খোৱা পানীৰ ব্যৱস্থা থকা ঘৰ সাজিব খোজে। তেওঁলোকক এটা টি এছ চি শৌচালয়ৰ সুবিধা দিয়া হোৱা নাই, যিহেতু আইনমতে বিভাগীয় ভাবে ভূমিখণ্ড হস্তান্তৰ কৰা হোৱা নাই।

যেতিয়া তাইক আই এ ৱাই গৃহ লৈ সন্তুষ্ট হয় নে নহয় বুলি সোধা হৈছিল তেতিয়া তাই কৈছিল, *"নিশ্চয় মই সন্তুষ্ট হৈছো। এই আই এ ৱাইয়ে প্ৰথম যি আনতকৈ প্ৰথম আহিছে। ঈদৰ সময়ত আমাৰ ঘৰটোৰ বাহিৰ ফাল ৰং কৰিছিলোঁ। খুব ধুনীয়া দেখাইছিল। আমি দুখীয়া আৰু দাৰিদ্ৰ্য পীড়িত, কিন্তু ধুনীয়া দেখা ঘৰত বাস কৰিব বিচাৰোঁ। আমি ঘৰটোৰ পৰিসৰ বঢ়াম আন এটা সৰু কোঠালিৰে য'ত আমাৰ ল'ৰা-ছোৱালীয়ে পঢ়-শুনা কৰিব আৰু মই ৰান্ধিম।"*

# দেউতাই তেওঁৰ সপোনৰ ঘৰত চ মাহ বাস কৰিছিল



প্ৰয়াত ৰবি দাস ইহ জগতৰ পৰা ৬৫ বছৰ বয়সত গুচি গ'ল আৰু তেওঁৰ সপোনৰ ঘৰত মাত্ৰ ২ মাহহে আনন্দেৰে বাস কৰিবলৈ সক্ষম হ'ল। তেওঁ তেওঁৰ তিনি পুত্ৰ (ক্ৰমে ৩২, ২৭ আৰু ১৯ বছৰীয়া) আৰু দুই কন্যাৰে সৈতে বাস কৰিছিল। তাৰে এগৰাকী বিধবা আৰু তাইৰ পিতৃগৃহত থাকে।

প্ৰয়াত ৰবি দাসে কামৰূপ (নগৰ) জিলাৰ ডিমৰীয়া ব্লকৰ অন্তৰ্গত কমাৰকুছি গাঁও পঞ্চায়তৰ দ্বাৰা ২০১০-১১ বৰ্ষত এটা আই এ ৱাই ঘৰ মঞ্জুৰী পালে ৪৮২০০.০০ (টিএছ চি শৌচালয়ৰ বাবদ ৩০০.০০ টকা বাদ দিয়াৰ পাছত) টকা। যি তেওঁ আগতে কেতিয়াও পোৱা নাছিল। তেওঁ ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনিৰ অধীনতো ২০০.০০ টকাকৈ লাভ কৰিছিল।

তেওঁ তেওঁৰ বিপিএল কাৰ্ডৰ সহায়ত গুৱাহাটী এম এম চি হাস্পাতালত চকুৰ অপাৰেশ্যন কৰাইছিল চৰকাৰী টকাৰ সাহায্যৰে। প্ৰয়াত ৰবি দাস আৰু তেওঁৰ পৰিয়ালে নিয়মিত ভাবে পিডিএছ আৰু আৰ কে ভি ৱাইৰ অধীনত বিদ্যুৎ লাভ কৰে।



প্ৰয়াত ৰবি দাসৰ দ্বাৰা হোৱা মুঠ আনুমানিক ব্যয় আছিল ১,২০,০০০ টকা, য'ত আই এ ৱাই সমৰ্থিত পুঁজি আছিল ৪৮,২০০.০০ টকা, তামোল-বাগিছাৰ চুক্তি বিক্ৰীৰ পৰা আৰু দৈনিক মজুৰিৰ সঞ্চয় আৰু উদ্যান শস্যৰ বিক্ৰীৰ পৰা ৬০,০০০.০০ টকা প্ৰয়াত ৰবি দাসৰ আনন্দিত আৰু গৰ্বিত পুত্ৰ আৰু কন্যাই তেওঁৰ ফটো দেখৰাই কৈছিল, *"আমি গৰ্ব অনুভৱ কৰিছো যে আমাৰ দেউতাই তেওঁৰ সপোনৰ ঘৰত বাস কৰিছিল, যিয়ে আমাক মৰ্যদা, সুৰক্ষা, শুবলৈ অতিৰিক্ত ঠাইৰূপে মজিয়াৰ ব্যৱহাৰ আৰু নিম্ন ব্যয়েৰে থকাৰ সুবিধা কৰি দিছিল। আপুনি দেখিছেই এই ঘৰটো এতিয়া সম্পূৰ্ণ হোৱাৰ চাৰিবছৰ পূৰ হ'ল।"*

# আই এ ৱাই গৃহত মীনাই গৰ্বেৰে কথা কৈছে



৩৫ বছৰীয়া শাৰিৰীক বিকলাংগ মিছ মীনা বৰদলৈয়ে তাইৰ মাক আৰু ভনীয়েকৰ সৈতে বাস কৰে। হিতাধিকাৰীৰূপে তাইৰ আবেদনৰ জৰিয়তে আই এ ৱাই ঘৰ মঞ্জুৰ হৈছিল। তাইৰ মাক কলিমাইয়ে জীয়াই থাকিবলৈ বোৱাকটাকে ধৰি ঘৰুৱা বেছি ভাগ কাম কৰে। মীনাৰ দেউতাক প্ৰয়াত বুদ্ধেশ্বৰ বৰদলৈয়ে পুলিচ টাৰ্মিনেলত থকা সুতাৰ কাৰখানাত কাম কৰিছিল।

মৰিগাঁও জিলাৰ মায়ং ব্লকৰ অন্তৰ্গত জাগীৰোড গাঁও পঞ্চায়তৰ দ্বাৰা মঞ্জুৰীকৃত ধন ৪৮,৫০০.০০ টকা ২০১১-১২ বৰ্ষত মীনাই তিনিটা কিস্তীত লাভ কৰে। মীনাক মুখ্য কৰি তিনিগৰাকী মহিলাই ঘৰটোৰ নিৰ্মাণত চোৱা-চিতা কৰিছিল যিহেতু মীনাই আন যিকোনো কাম কৰিব নোৱাৰিছিল।

ডিজাইন পুস্তিকা মতে তেওঁলোকে ঘৰটোৰ নিৰ্মাণৰ ব্যৱস্থা কৰিছিল অধিক প্ৰসাৰ নকৰাকৈ। সি যি নহওক তেওঁলোকে আই এ ৱাই গৃহটোক তেওঁলোকৰ পূৰ্বতে থকা পাকঘৰক অতিৰিক্ত ঠাইৰূপে সংলগ্ন কৰি প্ৰসাৰিত কৰিছিল।

মীনাই শাৰিৰীক অক্ষমতাৰ বাবে সদায় লাজকুৰীয়া হৈ থাকে আৰু আন লোকৰ সৈতে কথা পাতিবলৈ তেনেকৈ কোনো সুযোগ নাপায়। উন্নয়নৰ খতিয়ানৰ দৃষ্টান্ত (Case Story)ৰ বাবে তথ্য বিচাৰি তাইৰ ঘৰলৈ গৈ দৰ্শন কৰাটো আছিল অপ্ৰত্যাশিত। আলহীৰ সৈতে অসুবিধা নোহোৱাকৈ তাই কথা পাতিব পৰাকৈ সুস্থ হ'বলৈ সময়ৰ প্ৰয়োজন। আই এ ৱাই ঘৰটো মীনা বৰদলৈৰ বাবে তাৰ ভিতৰত এটা মহান উদাহৰণ যাৰ দ্বাৰা অভাবী আৰু দুৰ্বল সকলে উৎকৃষ্ট সেৱা পাব পাৰে।



আই এ ৱাই ঘৰৰ বিষয়ে মীনাক বিনম্ৰভাবে তাইৰ অভিজ্ঞতা প্ৰকাশ কৰিবলৈ কোৱা হৈছিল। প্ৰথমতে তাই সংকোচ কৰিছিল, লাহে লাহে তাই উত্তৰ দিছিল, *"নতুন ঘৰত আহল-বহলকৈ নিৰাপদে আৰু মৰ্যদা সহকাৰে আছো। নাৰী হোৱা বাবে আমি এই ঘৰত থাকি স্বস্তি অনুভৱ কৰিছোঁ। ইয়াত চকীখনত বহি মই নিৰ্মাণকাৰ্য নিৰীক্ষণ কৰিছোঁ। সেয়ে এই ঘৰটোৱে মোৰে হৃদয়। মই ইচ্ছা কৰো আমি আগলৈ ঘৰটো চিমেন্টেৰে লেপিব পাৰিম আৰু ৰং কৰিব পাৰিম। কিন্তু তথাপি আই এ ৱাই হিতাধিকাৰীৰূপে মই বৰ সুখী।"*

# ইন্দিৰা আৱাস যোজনা গৃহৰ সফলতাৰ কাহিনী

উন্নয়ন খণ্ড ঃ সপোখাতী গাঁওপঞ্চায়ত ঃ সোণালী
জিলা গ্ৰামোন্নয়ন অভিকৰণ, শিৱসাগৰ

***৪ মাৰ্চ, ২০১৪ ঃ*** শিৱসাগৰ জিলাৰ সাপেখাতী উন্নয়ন খণ্ডৰ অন্তৰ্গত সোণালী গাঁও পঞ্চায়তৰ বাসিন্দা আশামনি তাঁতী। ৬৭ বছৰীয়া শ্ৰীমতী তাঁতীৰ পৰিয়ালৰত ৫ গৰাকী সদস্য আছে। এনৰেগা কৰ্মীৰূপে তাই ৫০ দিন কাম কৰে আৰু তাইৰ পৰিয়ালে ৫০ দিন কাম কৰে। তেওঁলোকে আনৰ সৈতে দৈনিক মজুৰি বন্দোৱস্তত শ্ৰমিকৰূপে কাম কৰে। তেওঁলোকৰ পৰিয়ালৰ আয় হৈছে এবছৰৰ প্ৰায় ২৩,০০০.০০ টকা। আন কোনো জীৱিকাৰ উপায় নথকা তেওঁলোকেনিম্ন আয়েৰে কোনোমতে পেটে-ভাতে খাই জীয়াই থাকে। তেওঁলোকে উৰুখা চলাৰ অতি জৰাজীৰ্ণ আশ্ৰয় গৃহত বাস কৰে। আৰু ই আছিল অনাময়ৰ ব্যৱস্থা নথকা অসুৰক্ষিত গৃহ। এই আয়েৰে টিনপাতৰ চালৰ পকীগৃহ থকাটো আছিল সপোনৰ দৰে, কিন্তু ইন্দিৰা আৱাস যোজনা (IAY) কাৰ্যসূচীৰ দ্বাৰা উপকৃত হৈ তেওঁলোকে দ্ৰাৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ স্বীকৃতিৰ পৰিচয় (আই ডি) নম্বৰ লাভ কৰে আৰু গাঁওসভাৰ দ্বাৰা ইন্দিৰা আৱাস যোজনা হিতাধিকাৰীৰ অনুমোদন লাভ কৰি ইন্দিৰা আৱাস যোজনা অপেক্ষা তালিকাত অন্তৰ্ভুক্ত হৈছিল। ২০১২-১৩ বৰ্ষত তেওঁলোকৰ ভাগ্য খোল খাব যেতিয়া তেওঁলোক ইন্দিৰা আৱাস গৃহৰ অপেক্ষা তালিকাত স্থান লাভ কৰে। ২০১২-১৩ত তেওঁ তিনিটা কিস্তিত ৪৮,৫০০ টকা গ্ৰহণ কৰে আৰু তেওঁৰ ইন্দিৰা আৱাস গৃহ নিৰ্মাণ কৰে। আজি তেওঁ জিচিআই শ্বিট আৰু নিম্ন ব্যয়েৰে নিৰ্মাণ কৰা শৌচাগাৰ থকা বাঁহৰ তৰ্জা বেৰৰ আধা পকা গৃহত বাস কৰে। ই নিৰাপদ আৰু দীৰ্ঘস্থায়ী। পৰিয়ালে বৰষুণ আৰু শীতৰ বাবে চিন্তা কৰিব নালাগে।

ছবিত তেওঁলোকৰ পূৰ্বৰ জৰাজীৰ্ণ গৃহ আৰু ইন্দিৰা আৱাস যোজনা কাৰ্যসূচীৰ দ্বাৰা উপকৃত হোৱা বৰ্তমানৰ সপোনৰ আৱাসগৃহৰ ছবি দেখা গৈছে।







# ইন্দিৰা আৱাস যোজনা গৃহৰ সফলতাৰ কাহিনী

## উন্নয়ন খণ্ড : সৰুক্ষেত্ৰী : জিলা বৰপেটা

ইন্দিৰা আৱাস যোজনা গৃহ আঁচনি হৈছে প্ৰতিটো দাৰিদ্ৰ সীমাৰেখাৰ তলত (BPL) বাস কৰা পৰিয়াল কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা কেন্দ্ৰীয় ভাৱে পৃষ্ঠপোষকতা লাভ কৰা গৃহ আঁচনি। যিবোৰ গৃহ স্থায়ীভাৱে অপেক্ষিত তালিকাত অন্তৰ্ভুক্ত হৈ আছে। এই গৃহ ২০১২-১৩ বৰ্ষত মঞ্জুৰীকৃত হৈছে এই আঁচনিত অন্তৰ্ভুক্ত এগৰাকী হিতাধিকাৰী হৈছে লীলা মেধি, ১৪ নং পূব সৰুক্ষেত্ৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত কাৰাকুছি গাঁওৰ বাসিন্দা। পৰিচয় পত্ৰ নং ৩৩৭৩। ইন্দিৰা আৱাস যোজনা নিৰ্দেশাৱলী মতে ইন্দিৰা আৱাস যোজনা গৃহ নিৰ্মাণৰ বাবে তেওঁৰ নামত ৪৮, ৫০০ (আঠচল্লিছ হাজাৰ পাঁছশ) টকা মঞ্জুৰ কৰা হৈছে।

উপৰিউক্ত হিতাধিকাৰী গৰাকীয়ে উল্লেখিত ধন লাভ কৰাৰ পাছত পৰিয়ালৰ থকা-মেলাৰ বাবে উক্ত গৃহ যথোচিতভাৱে নিৰ্মাণ কৰিছে। আৰু উল্লেখিত ধন যথোচিতভাৱে নিৰ্মাণ কৰিছে। আৰু উল্লেখিত ধন যথোচিতভাৱে ব্যৱহৃত হৈছে আৰু কোনো অব্যৱহৃত হোৱাৰ প্ৰমাণ পোৱা নাই আৰু উক্ত গৃহৰ হিতাধিকাৰীগৰাকী তেনে কাৰ্যৰ বাবে চৰকাৰৰ দ্বাৰা উচ্চভাৱে প্ৰশংসিত হৈছে।

গৃহটোৰ বাবদ প্ৰাপ্ত মুঠ ধনৰ পৰিমাণ হৈছে ৪৮,৫০০ টকা আৰু ৪৮,৫০০/- টকাই হিতাধিকাৰীগৰাকীৰ বাবে মুকলি কৰা হৈছে।



পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ
জুৰিপাৰ, পাঞ্জাবাৰী
গুৱাহাটী - ৭৮১০৩৭
অসম, ভাৰত

ইউনিচেফ ক্ষেত্ৰ কাৰ্যালয়, অসম
গৃহ নং-২৭
বশিষ্ঠপুৰ বাইলেন-৩, বেলতলা ৰোড
গুৱাহাটী-৭৮১০২৮